C Y M K

RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 42 ■ Guwahati ■ Wednesday ■ 10 June, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪২ ■ গুৱাহাটী ■ বুধবাৰ ■ ২৬ জেঠ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা

## ভিতৰৰ পৃষ্ঠাত

শিশু সাহিত্যত কল্পনা... পৃষ্ঠা ৪
শিক্ষাৰ জগতত কৃত্ৰিম... পৃষ্ঠা ৫
অতন্দ্ৰ অতিৰথী পৃষ্ঠা ৭
চহৰৰ পোহৰৰ মাজত... পৃষ্ঠা ৮

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত বিশ্বাস, বিকাশ আৰু জনকল্যাণৰ ১২ বছৰ

# জৱাহৰলাল নেহৰুক অতিক্ৰমি নতুন অধ্যায়ৰ সূচনা



**গুৱাহাটী ঃ** ভাৰতৰ ইতিহাসত এক নতুন অধ্যায় ৰচনা কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে ৪,৩৯৯ দিন সম্পূৰ্ণ কৰি স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ ৪,৩৯৮ দিনৰ অভিলেখ অতিক্ৰম কৰিলে। ইয়াৰ জৰিয়তে তেওঁ স্বাধীন ভাৰতৰ ইতিহাসত সৰ্বাধিক সময় ধৰি কাৰ্যনিৰ্বাহ কৰা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে নতুন অভিলেখ স্থাপন কৰিলে। দেশৰ নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে একেৰাহে ১২ বছৰ সফলতাৰে কাৰ্যকাল সম্পূৰ্ণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীলৈ বিজেপি অসম প্ৰদেশৰ পৰিয়ালৰ তৰফৰ পৰা সভাপতি দিলীপ শইকীয়াই হৃদয়পূৰ্বক অভিনন্দন জ্ঞাপন কৰিছে। বিজেপি ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা প্ৰেৰণ কৰা এক বিবৃতিত মুখপাত্ৰ মিতা নাথ বৰাই কয় যে এই অভূতপূৰ্ব সফলতা কেৱল ব্যক্তিগত সফলতা নহয়, ই হৈছে ১৪০ কোটি ভাৰতীয়ৰ আস্থা, বিশ্বাস আৰু উন্নয়নমুখী ৰাজনীতিক সমৰ্থনৰ প্ৰতিফলন। ২০১৪ চনৰ পৰা আৰম্ভ হোৱা এই ■ *দুই পৃষ্ঠাত*



## হোজাই-নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ পীযুষ হাজৰীকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম চৰকাৰৰ কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই যোৱা মঙলবাৰে হোজাই আৰু নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে জিলাখনত ৰূপায়িত হৈ থকা উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। ইয়াৰ পাছত তেওঁ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপেও দায়িত্বভাৰ গ্ৰহণ কৰি এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। দুয়োখন জিলাতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকত অভিভাৱক মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানকে ধৰি কৃষি, স্বাস্থ্য, লোকনিৰ্মাণ, ■ *১১ পৃষ্ঠাত*

### ১৭ জুনত ব্ৰিটিছ সংসদত ভাষণ দিব সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে

# ব্ৰিটিছ মিউজিয়ামত সংৰক্ষণ হ'ব গুৰু আসন, হেঙুল হাইতাল লগোৱা বিচনী



**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** ব্ৰিটিছ সংসদত অহা ১৭ জুনত বৈষ্ণৱ সংস্কৃতি বিষয়ত ভাষণ দিব সত্ৰীয়া সংস্কৃতিৰ গৱেষক পণ্ডিত, আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। এই উদ্দেশ্যে যোৱা ৯ জুনত ৰাইজৰ আশীষ শিৰত ■ *১১ পৃষ্ঠাত*

### ইউৰোপীয় ইউনিয়নৰ প্ৰতিনিধিৰে মুখ্যমন্ত্ৰী বৈঠক

# গুৱাহাটীত মুকলি 'ব্লুভেলী ক্লাষ্টাৰ'

## অসমৰ সামগ্ৰীয়ে বজাৰ লাভ কৰিব ইউৰোপত

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসমত উৎপাদিত চাহ, অগৰ কাঠ, জৈৱিক খাদ্য-সামগ্ৰী, আয়ুসভিত্তিক সামগ্ৰীয়ে ইউৰোপত এখন বজাৰ লাভ কৰিব। ইয়াৰ বাবে ৰাজ্যৰ উদ্যোগ-বাণিজ্যৰ ■ *১১ পৃষ্ঠাত*




### 'চাৰভাইভেল অন এ লিভিং ৰিভাৰ'

## প্ৰাকৃতিক নদীবান্ধক লৈ নিৰ্মাণ হ'ব তথ্যচিত্ৰ

**অসম ভূমি সেৱা, পাটাছাৰকুছি ঃ** বিশ্বৰ ভিতৰতেই এক প্ৰাচীনতম প্ৰাকৃতিক নদীবান্ধ আৰু প্ৰাকৃতিক জলবিতৰণ ব্যৱস্থা এতিয়াও চলি আছে অসমৰ বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ পাগলাদিয়া নদীৰ বুকুত। সম্পূৰ্ণ প্ৰাকৃতিক উপায়ে অৰণ্যৰ মৃত গছ, লতা, শিল, বালি, মাটিৰে জৈৱ বৈচিত্ৰ্যৰ সহায়ক হোৱাকৈ ৰাইজে নিৰ্মাণ কৰা এই বান্ধে পানীৰ অভাৱ পূৰণ কৰি আহিছে ভাৰত-ভূটান সীমান্তৰ প্ৰায় ৫০ খন গাঁৱৰ সহস্ৰাধিক ৰাইজক। এটুপি পানীৰ বাবে এতিয়াও পৃথিৱীৰ আটাইতকৈ প্ৰাচীন দোংবান্ধ ব্যৱস্থাক আঁকোৱালি লৈ সীমান্তৰ জনসাধাৰণে দুশবছৰ পূৰ্বৰ পৰাই প্ৰতিবছৰে নিৰ্মাণ কৰি গৈছে পাগলাদিয়াৰ বুকুত এই প্ৰাকৃতিক বান্ধ। ভূটানপাহাৰৰ পৰা বৈ অহা পাগলাদিয়া নদীৰ পানীক ৰাইজে প্ৰাকৃতিক ■ *দুই পৃষ্ঠাত*

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত দুষ্প্ৰাপ্য নল গাহৰি মুকলি



### পোহনীয়া হাতী পূৰ্ণিমা আৰু প্ৰমিলাক অৱসৰ

**অসম ভূমি সেৱা, বৰিমাখা ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা দেওবাৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জত তিনিটাকৈ গুৰুত্বপূৰ্ণ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী ৰেঞ্জৰ কুৰিবিলত পিগমি হ'গ কনজাৰভেচনৰ উদ্যোগত মুকলি কৰে ১৫ টাকৈ নল গাহৰি। উল্লেখ্য যে নল গাহৰি হৈছে বিশ্বৰ বন্য জীৱকূলৰ ভিতৰত দুস্প্ৰাপ্য তথা পৃথিৱীৰ ভিতৰতে ক্ষুদ্ৰতম গাহৰিৰ প্ৰজাতি। ■ *দুই পৃষ্ঠাত*

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# জৱাহৰলাল নেহৰুক অতিক্ৰমি নতুন

যাত্ৰাই ভাৰতক বিশ্ব মঞ্চত এক আত্মবিশ্বাসী, শক্তিশালী আৰু উদীয়মান শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছে। প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত দৰিদ্ৰ কল্যাণক শাসনৰ কেন্দ্ৰবিন্দু হিচাপে গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত প্ৰতিমাহে ৮১ কোটিতকৈ অধিক লোকক বিনামূলীয়া খাদ্যশস্য যোগান ধৰা হৈছে। ৪ কোটিতকৈ অধিক পকী গৃহ নিৰ্মাণৰ জৰিয়তে পিএম আৱাস যোজনাই লাখ লাখ পৰিয়ালৰ সপোন পূৰণ কৰিছে। ১০.৫ কোটিতকৈ অধিক উজ্জ্বলা গেছ সংযোগে মহিলা আৰু পৰিয়ালসমূহক ধোঁৱামুক্ত জীৱন দিছে। ১২ কোটিতকৈ অধিক শৌচালয় নিৰ্মাণৰ জৰিয়তে ভাৰতক মুক্ত শৌচ ব্যৱস্থাৰ পৰা মুক্ত কৰা হৈছে। মোদী চৰকাৰৰ বিগত ১২ বছৰত মহিলাসকলৰ সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ক্ষমতায়নৰ ক্ষেত্ৰত এক নতুন অধ্যায় সূচিত হৈছে। ৩২ কোটিতকৈ অধিক জনধন বেংক একাউন্ট মহিলাৰ নামত মুকলি কৰা হৈছে। সশস্ত্ৰ বাহিনীত মহিলাৰ স্থায়ী নিয়োগ আৰু নেতৃত্বৰ সুযোগ নিশ্চিত কৰা হৈছে। ৩ কোটিতকৈ অধিক 'লাখপতি বাইদেউ' গঢ়ি তোলাৰ লক্ষ্যৰে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰা হৈছে। ৯১ লাখতকৈ অধিক আত্মসহায়ক গোটৰ জৰিয়তে ১০ কোটিতকৈ অধিক গ্ৰাম্য মহিলা আৰ্থিকভাবে স্বাৱলম্বী হৈছে। উন্নত আন্তঃগাঁথনিৰে গঢ়ি উঠিছে নতুন ভাৰত। মোডীৰ শাসনত আন্তঃগাঁথনি উন্নয়নক ৰাষ্ট্ৰ নিৰ্মাণৰ মূল ভিত্তি হিচাপে ধৰা হৈছে। দেশৰ ৮ খন চহৰত ১,১০০ কিলোমিটাৰতকৈ অধিক মেট্ৰ' নেটৱৰ্ক গঢ়ি উঠিছে। অটল সেতু, সুদৰ্শন সেতু, চেনাব ৰে'ল সেতু, বগীবিল সেতু আৰু পাম্বান সাগৰীয় সেতুৰ দৰে বৃহৎ প্ৰকল্পসমূহে আধুনিক ভাৰতৰ সক্ষমতাৰ প্ৰতীক হৈ উঠিছে। ২০১৪ চনত ৭৪টা বিমানবন্দৰ থকা দেশত বিমানবন্দৰৰ সংখ্যা ১৬৪ লৈ বৃদ্ধি পাইছে, যাৰ ফলত আঞ্চলিক সংযোগ আৰু অৰ্থনৈতিক বিকাশে নতুন গতি লাভ কৰিছে। যুৱ শক্তিক দিয়া হৈছে নতুন ডেউকা প্ৰদান কৰা হৈছে। যুৱ সমাজক আত্মনিৰ্ভৰ আৰু দক্ষ কৰি তুলিবলৈ প্ৰায় ২ কোটি যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। মুদ্ৰা যোজনাৰ অধীনত ৪০ লাখ কোটিতকৈ অধিক টকাৰ ঋণ বিতৰণ কৰা হৈছে। দেশত ২.২ লাখতকৈ অধিক স্টাৰ্টআপ গঢ়ি উঠিছে। ১০,০০০ তকৈ অধিক অটল টিংকাৰিং লেবৰ জৰিয়তে উদ্ভাৱন আৰু বৈজ্ঞানিক চিন্তাধাৰাক উৎসাহিত কৰা হৈছে। স্বাস্থ্যসেৱাত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰা হৈছে আয়ুষ্মান ভাৰতৰ জৰিয়তে ৬০ কোটিতকৈ অধিক লোকক স্বাস্থ্য সুৰক্ষাৰ আওতালৈ অনা হৈছে। ৭০ বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা নিশ্চিত কৰা হৈছে। তাৰোপৰি দেশজুৰি ১৯,০০০ তকৈ অধিক জন ঔষধি কেন্দ্ৰৰ জৰিয়তে সাধাৰণ মানুহে ৯০ শতাংশ পৰ্যন্ত কম মূল্যত ঔষধ লাভ কৰিছে। শক্তিশালী ভাৰত, সুৰক্ষিত ভাৰতৰ মন্ত্ৰেৰে প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত ভাৰতৰ প্ৰতিৰক্ষা খণ্ডত নতুন শিখৰ স্পৰ্শ কৰিছে। কংগ্ৰেছৰ শাসনত আমদানি নিৰ্ভৰ দেশে প্ৰায় ৩৮,৪০০ কোটি টকাৰ অভিলেখসংখ্যক প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি কৰিছে। সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু নক্সালবাদৰ বিৰুদ্ধে কঠোৰ অভিযানৰ ফলত দেশ এক নক্সালমুক্ত ভাৰতৰ দিশে আগবাঢ়িছে। উপনিবেশিক মানসিকতাৰ পৰা মুক্তি দি ৰাজপথক 'কৰ্তব্য পথ'লৈ ৰূপান্তৰ, নতুন সংসদ ভৱন আৰু ছত্ৰপতি শিৱাজী মহান আদৰ্শৰে অনুপ্ৰাণিত ভাৰতীয় নৌসেনাৰ নতুন ধ্বজে আত্মগৌৰৱ আৰু সাংস্কৃতিক পুনৰুজ্জীৱনৰ প্ৰতীক হিচাপে আত্মপ্ৰকাশ কৰিছে। কৃষকৰ কল্যাণৰ নতুন মন্ত্ৰেৰে 'পিএম-কিষাণ' যোজনাৰ অধীনত কৃষকসকলৰ একাউণ্টত ৪.৩ লাখ কোটিতকৈ অধিক টকা প্ৰত্যক্ষভাৱে জমা কৰা হৈছে। ৪ কোটিতকৈ অধিক কৃষকে ২ লাখ কোটিতকৈ অধিক টকাৰ শস্য বীমা সুৰক্ষা লাভ কৰিছে। নূন্যতম সমৰ্থন মূল্যৰ অধীনত ২৬ লাখ কোটিতকৈ অধিক টকাৰ শস্য ক্ৰয় কৰা হৈছে। ৮ কোটিতকৈ অধিক কৃষকক কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হৈছে। মধ্যবিত্তৰ আশা-আকাংক্ষাক ডেউকা প্ৰদান কৰি মোডী চৰকাৰে মধ্যবিত্ত পৰিয়ালৰ আৰ্থিক বোজা হ্ৰাস কৰাৰ বাবে কৰ ব্যৱস্থাত একাধিক সংস্কাৰ কৰিছে। ১২.৭৫ লাখ টকা পৰ্যন্ত বাৰ্ষিক আয় কৰমুক্ত কৰাৰ ব্যৱস্থাই কোটি কোটি পৰিয়ালক উপকৃত কৰিছে। উড়ান আঁচনিৰ অধীনত ১.৬ কোটিতকৈ অধিক যাত্ৰীয়ে সুলভ বিমান যাত্ৰাৰ সুবিধা লাভ কৰিছে। চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত এমবিবিএছ আসনৰ সংখ্যা ১৫১ শতাংশ বৃদ্ধি পাই প্ৰায় ১.৩ লাখত উপনীত হৈছে। ঐতিহ্য আৰু বিকাশৰ সমন্বয়েয়েৰে প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত ভাৰতৰ সাংস্কৃতিক পুনৰুজ্জীৱনৰ এক নতুন অধ্যায় সূচিত হৈছে। অযোধ্যাত ভগৱান শ্ৰীৰামৰ জন্মভূমিত বিশাল ৰাম মন্দিৰ নিৰ্মাণ, কাশী বিশ্বনাথ ধামৰ পুনৰ্নিৰ্মাণ, মহাকাল মহালোক আৰু কেদাৰনাথ ধামৰ উন্নয়নে ভাৰতীয় সভ্যতাৰ গৌৰৱ পুনঃপ্ৰতিষ্ঠা কৰিছে। বিকশিত ভাৰত ২০৪৭ৰ দিশে ধাৱমান ভাৰতবৰ্ষৰ বাবে ৪,৩৯৯ দিনৰ এই যাত্ৰা কেৱল সময়ৰ পৰিমাপ নহয়, ই হৈছে সুশাসন, উন্নয়ন, আত্মবিশ্বাস আৰু ৰাষ্ট্ৰীয় পুনৰুত্থানৰ এক গৌৰৱময় কাহিনী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰত বিশ্বৰ অন্যতম দ্ৰুত বিকাশশীল অৰ্থনীতি, এক উদীয়মান কূটনৈতিক শক্তি আৰু আত্মনিৰ্ভৰ ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰচেষ্টা'ৰ মূলমন্ত্ৰৰে অনুপ্ৰাণিত এই যাত্ৰাই দেশক 'বিকশিত ভাৰত ২০৪৭'ৰ লক্ষ্যৰ দিশে দৃঢ়তাৰে আগবঢ়াই লৈ গৈছে। ৪,৩৯৯ দিনৰ এই ঐতিহাসিক সফলতা ভাৰতৰ গণতান্ত্ৰিক শক্তি, জনআস্থা আৰু উন্নয়নমুখী নেতৃত্বৰ এক উজ্জ্বল নিদৰ্শন হিচাপে ইতিহাসত স্বৰ্ণাক্ষৰে লিপিবদ্ধ হৈ থাকিব। বিগত ১২ বছৰত অসমৰ শান্তি আৰু উন্নয়ন অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে। উগ্ৰপন্থী ঘটনা ৭৬ শতাংশ হ্ৰাস পাইছে, মৃত্যুৰ সংখ্যা ৯০ শতাংশ আৰু নাগৰিক মৃত্যুৰ সংখ্যা ৯৭ শতাংশ হ্ৰাস পাইছে। বড়ো চুক্তি, কাৰ্বি চুক্তি আৰু আদিবাসী তথা অন্যান্য গোটসমূহৰ সৈতে শান্তি চুক্তিৰ জৰিয়তে, বহুকেইটা উগ্ৰপন্থী সংগঠনৰ প্ৰায় ১০,০০০ যুৱক-যুৱতীয়ে অস্ত্ৰ সম্বৰণ কৰিছে। অসম এতিয়া দ্ৰুতগতিত উন্নয়নশীল ৰাজ্যসমূহৰ ভিতৰত অন্যতম। জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্প, নামৰূপ ইউৰিয়া প্ৰকল্প, ২০,০০০ কিলোমিটাৰ পথ উন্নয়ন, কুৰুৱা-নাৰেংগী, কাজিৰঙা এলিভেটেদ ক'ৰিডৰ, গহপুৰ-নুমলীগড় সংযোগী ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথে উন্নয়নৰ দিশত আৰু এখোজ আগবাঢ়িব। ২০১৬ চনৰ পৰা ২০২৬ চনলৈকে অসমত মেডিকেল কলেজৰ সংখ্যা ৬ খনৰ পৰা ২৪ খনলৈ বৃদ্ধি পাইছে। সাংস্কৃতিক ক্ষেত্ৰতো অসমে নতুন গতি লাভ কৰিছে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াৰ লগতে চৰাইদেও মৈদাম UNESCO বিশ্ব ঐতিহ্য স্থান হিচাপে স্বীকৃতি পাইছে। বিহু, ঝুমুৰ আৰু বাগৰুম্বা নৃত্যই বিশ্বত উজলি উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যকালৰ এই গৌৰৱোজ্জ্বল ১২ বছৰৰ উপলক্ষে বিজেপি অসম প্ৰদেশে সমগ্ৰ ৰাজ্যজুৰি বৃক্ষৰোপণ, স্বচ্ছতা অভিযান, প্ৰগতি পথ যাত্ৰা, যোগ শিবিৰ, জনকল্যাণ শিবিৰ আদি কাৰ্যসূচী গ্ৰহণ কৰিব। প্ৰায় ৩২,০০০ বুথ সমিতিয়ে বন্তি প্ৰজ্জ্বলন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। গুৱাহাটীস্থিত কামাখ্যা মন্দিৰসহ ৰাজ্যৰ বিভিন্ন ধৰ্মীয় স্থানত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

# প্ৰাকৃতিক নদীবান্ধক লৈ নিৰ্মাণ

নদীবান্ধৰ জৰিয়তে ভেটা দি শাখা দোং আৰু পাহী দোং ব্যৱস্থাৰে বোৱাই নিছে সহস্ৰাধিক পৰিয়ালৰ নিজৰ নিজৰ ঘৰ আৰু খেতিপথাৰলৈ। আধুনিক প্ৰযুক্তিৰ দিনত পৃথিৱীৰ পৰা এই প্ৰথা আতৰি গ'ল যদিও অসমৰ ভাৰত- ভূটান সীমান্তৰ ৰাইজে আজিও জীয়াই ৰখিছে এই প্ৰাচীন ব্যৱস্থা। এই বিস্ময়কৰ আৰু প্ৰকৃতি বান্ধৰ হিচাপে পৰিগণিত পাগলাদিয়া বান্ধৰ কাহিনী বিশ্ব দৰবাৰলৈ নিয়াৰ বাবে পাটাছাৰকুছিস্থিত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যাপক তথা চলচ্চিত্ৰ পৰিচালক ৰজেন দাসে বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত সাংবাদিকৰ সন্মুখত ঘোষণা কৰে এক বিশেষ তথ্যচিত্ৰ নিৰ্মাণৰ কথা। পৰিচালক ৰাজেন দাসে সদৰি কৰা অনুসৰি তথ্যচিত্ৰখনৰ নাম হ'ব 'চাৰভাইভেল অন এ লিভিং ৰিভাৰ'। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ বাবে নিৰ্মাণ কৰা এই তথ্যচিত্ৰখনত পৰিচালকে অসমৰ নদীকেন্দ্ৰিক এক প্ৰাচীন গৌৰৱগাথাক বিশ্বক্ষেত্ৰৰ দৰ্শকৰ ওচৰলৈ নিয়াৰ মানস কৰা বুলি সাংবাদিকক জানিবলৈ দিয়ে। প্ৰকৃতি আৰু জৈৱ-বৈচিত্ৰ্যতা ৰক্ষা কৰি আধুনিক প্ৰযুক্তিৰ যুগতো অসমৰেই সীমান্তৰ হেজাৰ হেজাৰ ৰাইজে প্ৰাকৃতিক নদীবান্ধ নিৰ্মাণৰ জৰিয়তে পানী আহৰণৰ আজিও এক বিৰল দৃষ্টান্ত অব্যাহত ৰাখিছে বুলি পৰিচালক ৰাজেন দাসে জানিবলৈ দিয়ে। পৰিচালক ৰাজেন দাসৰ পৰা জানিব পৰা মতে ভূটান সীমান্তৰ উত্তৰকুছি সৰনখাটা ৩ নং গ্ৰুপ দোং বান্ধ সমিতি গঠন হৈছিল ১৯৪০ চনত। আজিও পুৰণি নতুন দুয়োটা প্ৰজন্মই এই ধাৰা অব্যাহত ৰাখি বান্ধ নিৰ্মাণৰ কাম অটুত ৰাখিছে। সীমান্তত এনে কেইবাখনো সমিতিয়ে এই বান্ধৰ কাম পৰিচালনা কৰে বুলি ৰাজেন দাসে সাংবাদিকক জানিবলৈ দিয়ে। পৰিচালক ৰজেন দাসে তথ্যচিত্ৰখনৰ বিষয়ে অধিক সদৰি কৰি কয়— 'পাগলাদিয়াৰ এই মানৱসৃষ্ট প্ৰাকৃতিক নদীবান্ধে পৰিৱেশ আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। এই বান্ধে নদীৰ স্বাভাৱিক গতি সম্পূৰ্ণৰূপে সলনি নকৰাৰ ফলত মাছ, জলজ উদ্ভিদ আৰু অন্যান্য জীৱ-জন্তুৰ বাসস্থান সুৰক্ষিত কৰি ৰাখে। প্ৰকৃতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি নিৰ্মাণ কৰা এই বান্ধে পৰিৱেশৰ ওপৰত কোনো ধৰণৰ নেতিবাচক প্ৰভাৱ নেপেলায়। এই প্ৰাকৃতিক বান্ধ কেৱল মানুহৰ খোৱাপানী আৰু জলসিঞ্চনৰ এক উৎসই নহয়। এয়া হ'ল অসমৰ লোক-পৰম্পৰা, সামাজিক ঐক্য আৰু প্ৰকৃতিৰ প্ৰতি মানুহৰ দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন।' পৰিচালকগৰাকীয়ে সকলোকে আহ্বান জনাই কয়, 'বৰ্তমান সময়ত জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ ধ্বংসৰ প্ৰত্যাহ্বানৰ মাজত পাগলাদিয়া উত্তৰকুছিৰ প্ৰাকৃতিক নদীবান্ধে আমাক শিকায় যে উন্নয়ন আৰু প্ৰকৃতি-সংৰক্ষণ একেলগে সম্ভৱ। এই বিষয়ক বাৰ্তা কেৱল আমাৰ ৰাজ্যখনতেই নহয়, বৰঞ্চ গোটেই বিশ্বতে জীয়াই থকা উচিত।'

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত দুষ্প্ৰাপ্য

যি বিলুপ্তপ্ৰায় নল গাহৰি পৃথিৱীৰ ভিতৰতে অন্যতম উপযুক্ত বসতিস্থল মানাহ ৰাষ্ট্ৰীয় উদ্যান। নল গাহৰিৰ সংৰক্ষণ উদ্দেশ্য ১৯৯৬ পৰাই বিজ্ঞানসন্মত বিশেষ ব্যৱস্থাৰে নল গাহৰিৰ প্ৰজনন প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। প্ৰথমাৱস্থাত মানাহৰ বাঁহবাৰীৰ পৰা দুটা মতা আৰু চাৰিটা মাইকী মুঠ ছটা নল গাহৰি ধৰি নি প্ৰজননৰ উদ্দেশ্যে বিশেষ সংৰক্ষণত ৰখা হৈছিল। পি এইছ চি পিৰ অধীনত ২০২১ চনত আঠটা, ২০২০ চনত ১৪টা গাহৰি মুকলি কৰি দিয়া হৈছিল। তদুপৰি আঁচনিখনৰ অধীনত মানাহত ২০২৫ৰ ভিতৰত সৰ্বমুঠ ৬০ টা নল গাহৰি মুকলি কৰি দিয়াৰ লক্ষ্য হাতত লোৱা হৈছিল। বৰ্তমানে মানাহত প্ৰায় দুশ নল গাহৰি থকা বুলি জানিব পৰা গৈছে। বিশেষ প্ৰজনন প্ৰক্ৰিয়াৰ দ্বাৰা জন্মলাভ কৰা নল গাহৰিবোৰ ২০০৮ পৰাই সোনাই ৰূপে অভয়াৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু বৰনদী অভয়াৰণ্যত মুকলি কৰি দিয়া হৈছিল। বৰ্তমানলৈ মুকলি কৰি দিয়া গাহৰিৰ সংখ্যা ডেৰ শতাধিক। সেইদৰে উক্ত দিনটোতে দুটাকৈ পোহনীয়া প্ৰশিক্ষণপ্ৰাপ্ত হাতীক অৱসৰ প্ৰদান কৰাৰ বিপৰিতে পাঁচটাকৈ নতুন প্ৰশিক্ষণপ্ৰাপ্ত হাতীক নিয়োগ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনত দীৰ্ঘদিন ধৰি হাতী ছাফাৰীৰ সৈতে জড়িত পূৰ্ণিমা আৰু প্ৰমিলা নামৰ হাতী দুটাক অৱসৰ প্ৰদান কৰে উদ্যান কৰ্তৃপক্ষই। উল্লেখ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যানত এতিয়াও ৬২ টাৰো অধিক পোহনীয়া হাতী আছে। যোৱা দেওবাৰে অৱসৰ প্ৰদান কৰা দুয়োটা হাতীকে সজাই পৰাই সমদল কৰি অনাৰ পিছত বনকৰ্মীসকলে গাৰ্ড অৱ অনাৰ প্ৰদান কৰে। ইয়াৰ পিছতে ৰাষ্ট্ৰীয় উদ্যানখনৰ তৃণভোজী প্ৰাণীৰ খাদ্যৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই স্থাপন কৰা ঘাঁহনিৰ উদ্যানখন মুকলি কৰে। প্ৰায় ১৭ বিধ ঘাহৰ প্ৰজাতি এই উদ্যানখনত ৰোপণ কৰা হৈছিল। মহাৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ পৰা অহা গজানন মুৰাকট নামৰ এগৰাকী প্ৰবক্তাই প্ৰশিক্ষণ দিয়াৰ পিছত বাঁহবাৰী ৰেঞ্জৰ মাউত কেম্পত ৰোপণ কৰিছিল ঘাঁহৰ বীজসমূহ। উল্লেখ্য যে কিছু বছৰ পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত ৬০ শতাংশ ঘাঁহনি আছিল যদিও পৰৱৰ্তী সময়ত সেই ঘাঁহনিৰ পৰিমাণ ১৮ শতাংশ লৈ হ্ৰাস পায়। যাৰ ফলত তৃণভোজী প্ৰাণীৰ মাজত খাদ্য সংকটে দেখা দিয়ে। যাৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ ভিতৰত ঘাঁহৰ বীজ ৰোপণৰ ব্যৱস্থা কৰে। ৰাজ্যখনৰ বন বিভাগৰ মুখ্য বন্যপ্ৰাণী ওৱাৰ্ডেন বিনয় গুপ্তাই অংশগ্ৰহণ কৰা এই কাৰ্যসূচীসমূহত মানাহ ব্যঘ্ৰ প্ৰকল্পৰ সঞ্চালক ড° চি ৰমেশ, বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ প্ৰাঞ্জল তালুকদাৰ, হাতীৰ মাউত দণ্ডেশ্বৰ বড়োকে ধৰি কেইবাজনো ব্যক্তি উপস্থিত আছিল।

# বামুন্দীত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক বিপুল সম্বৰ্ধনা

**অসম ভূমি সেৱা, হাজো ঃ** হাজো-শুৱালকুছি সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক যোৱা দেওবাৰে বামুন্দী বান্ধবপাৰা চুবুৰী ৰাইজৰ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। বিধায়কগৰাকী বামুন্দী চকত উপস্থিত হোৱাৰ লগে লগেই অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় ৰাইজে শঙ্খ, ঘণ্টা আৰু ঢুলীয়াৰ মাংগলিক ধ্বনিৰে তেওঁক বিপুলভাৱে আদৰি নিয়ে। মূল অনুষ্ঠানত বান্ধবপাৰা চুবুৰী ৰাইজৰ তৰফৰ পৰা বিধায়কগৰাকীক পৰম্পৰাগত



গামোচা, ফুলৰ মালা, শৰাই আৰু মানপত্ৰৰে বিশেষ সন্মান জনোৱা হয়। চুবুৰী ৰাইজ সমিতিৰ উপৰি অঞ্চলটোৰ আন কেইবাটাও অনুষ্ঠানেও বিধায়কগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। ৰাইজৰ এনে অভূতপূৰ্ব মৰম আৰু সঁহাৰি লাভ কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাস অভিভূত হৈ পৰে। তেওঁ বামুন্দী অঞ্চলৰ পথ-ঘাটকে ধৰি সামগ্ৰিক উন্নয়নমূলক কাম-কাজৰ বুজ লয়। অঞ্চলটোৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ অতি শীঘ্ৰে সমাধান কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ ৰাইজৰ সন্মুখত ঘোষণা কৰে। চুবুৰী বাসী ৰাইজৰ এই মৰম আৰু সহযোগিতাই মোক আগন্তুক দিনবোৰত ৰাইজৰ সেৱা কৰিবলৈ আৰু অঞ্চলটোৰ উন্নয়নৰ বাবে কাম কৰিবলৈ বিশেষভাৱে অনুপ্ৰাণিত কৰিব বুলি বিধায়ক প্ৰকাশ চন্দ্ৰ দাস মত পোষণ কৰে। সমষ্টিটোৰ সৰ্বাংগীণ বিকাশৰ সংকল্পৰে সামৰণি পৰা এই সম্বৰ্ধনা সভাই স্থানীয় ৰাইজৰ মাজতো এক নতুন আশাৰ সঞ্চাৰ কৰিছে।

## বিশ্ব হিন্দু মহাসংঘ

### ১৪ জুনত গঠন হ'ব কামৰূপ মহানগৰ জিলা সমিতি

**গুৱাহাটী ঃ** বিশ্ব হিন্দু মহাসংঘৰ কামৰূপ মহানগৰ জিলা সমিতিখন অহা ১৪ জুনত নতুনকৈ গঠন কৰা হ'ব। ১ জুনত পাঞ্জাবাৰী উদ্যানত বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী জিলা সমিতি গঠনৰ প্ৰস্তুতি সম্পৰ্কত অনুষ্ঠিত এখন বিশেষ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিভিন্ন হিন্দুত্ববাদী সংগঠনৰ কাৰ্যকৰ্তা উপস্থিত থকা উক্ত বৈঠকৰ সিদ্ধান্তমৰ্মে বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী জিলা সমিতিৰ সৈতে জড়িত হ'বলৈ বিচৰাসকলক ৰাষ্ট্ৰীয় হিন্দু ফ্ৰন্টৰ ৰাজ্যিক উপ-সভাপতি ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীৰ সৈতে ৮৬৩৮৭০০৬৭২ অথবা ৯৮৫৪২২৪৫০৭ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবলৈ বিশ্ব হিন্দু পৰিষদৰ খানাপাৰা প্ৰখণ্ডৰ প্ৰাক্তন সভাপতি প্ৰভাত চন্দ্ৰ ঠাকুৰীয়াই অনুৰোধ জনাইছে।

## প্ৰেৰণা মহিলা সমাজ, ৰামপুৰৰ বিশ্ব পৰিৱেশ দিৱস পালন

# কমল দাসৰ স্মৃতি সজীৱ কৰি ৰখাৰ সংকল্প



**ৰামপুৰ ঃ** পলাশবাৰী সমষ্টিৰ ৰামপুৰ অঞ্চলৰ নৱগঠিত স্বেচ্ছাসেৱী মহিলা সংগঠন প্ৰেৰণা মহিলা সমাজ, ৰামপুৰে বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰামপুৰস্থিত কালীপ্ৰসাদ দাস হাইস্কুল প্ৰাংগণত মহিলা সমিতিখনৰ সভানেত্ৰী চাৰু কলিতা, উপ-সভানেত্ৰী আভাৰাণী ঠাকুৰীয়া, সম্পাদিকা মীনাক্ষী চৌধুৰী কলিতা আৰু সদস্যাসকলৰ উপস্থিতিত বিদ্যালয়খনৰ প্ৰধান শিক্ষক বনজিৎ কলিতা আৰু পৰিচালনা সমিতিৰ সভাপতি বিপুল কুমাৰ চৌধুৰীয়ে ক্ৰমে আমলখি আৰু ভৈৰা গছৰ পুলি ৰোপণ কৰে। সদ্যপ্ৰয়াত সমাজকৰ্মী কমল দাসৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে বুলি সভানেত্ৰী চাৰু কলিতাই জানিবলৈ দিয়ে। গছপুলি ৰোপণ কাৰ্যসূচীৰ পূৰ্বে ইয়াৰ তাৎপৰ্য আৰু গুৰুত্ব সম্পৰ্কে চমুকৈ বক্তব্য ৰাখে আভাৰাণী ঠাকুৰীয়াই। এই কাৰ্যসূচীৰ লগতে সদৌ অসম ছাত্ৰ সন্থাৰ দক্ষিণ কামৰূপ শাখাই বিদ্যালয়খনলৈ আগবঢ়োৱা জুবিন গাৰ্গৰ প্ৰিয় নাহৰ গছৰ পুলি এটি ৰোপণ কৰে জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই। ইয়াৰ পাছতেই সমাজকৰ্মী কমল দাসৰ অনুষ্ঠিত আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি প্ৰেৰণা মহিলা সমাজে বিদ্যালয় প্ৰাংগণত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰে। মহিলা সমিতিৰ প্ৰতিগৰাকী সদস্যাই সমূহীয়াকৈ এটি ঘোষা পৰিৱেশন কৰে। এই অনুষ্ঠানত উপস্থিত থকা সাংবাদিক বিমল শৰ্মাই প্ৰেৰণা মহিলা সমাজক সমাজকৰ্মী কমল দাসৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবে গঠনমূলক পদক্ষেপ হাতত ল'বলৈ আহ্বান জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে সভানেত্ৰী চাৰু কলিতাই।

# ৰঙিয়াত কামৰূপ জিলা সাহিত্য সভা কুঁহি অনুষ্ঠান সম্পন্ন

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ৰঙিয়াৰ ৰণদিয়া (শতদল) সাহিত্য সভাৰ উদ্যোগত, স্বেচ্ছাসেৱী অনুষ্ঠান পৰমাৰ্থ আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ সহযোগত কামৰূপ জিলা সাহিত্য সভাৰ বিশ্ব পৰিৱেশ দিৱস আৰু কুঁহি অনুষ্ঠান যোৱা ৫ জুনত অনুষ্ঠিত কৰা হয়। তৰণীস্থিত নিকেতন প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পুৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শুক্লেশ্বৰ কলিতা, কামৰূপ জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়া আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতাই গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বন্তি প্ৰজ্বলন কৰি জাতীয় জীৱনৰ পুৰোধাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায় বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি উমেশ চন্দ্ৰ কলিতাই। ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠ ভূপেন হাজৰিকা, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি স্মৃতি তৰ্পণ কৰে ৰূপহী ৰঙিয়াৰ সভাপতি অৰূপ দাস, ৰণদিয়া (শতদল) সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উজ্জ্বল ডেকা, উপ-সভাপতি সবিতা বৰ্মন মজুমদাৰ আৰু আজীৱন সভ্য ৰীণা কলিতা মহন্তই। বিদ্যাজ্যোতি শিশু নিকেতনৰ শিক্ষয়িত্ৰীসকলে সভাৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক আৰম্ভণী গীত পৰিৱেশন কৰে। ১৪ বছৰৰ অনূৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে সাহিত্য সভাৰ বিশেষ 'কুঁহি' অনুষ্ঠানৰ উদ্বোধন কৰে জ্যেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰীয়ে। কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই আঁত ধৰা তথা ৰণদিয়া (শতদল) সাহিত্য সভাৰ সভাপতি পংকজ পল্লৱ শৰ্মাই পৰিচালনা কৰা কণমানিহঁতৰ বিচিত্ৰানুষ্ঠান 'ৰংমেলা'ত অৰ্ধশতাধিক শিশু শিল্পীয়ে গীত, নৃত্য, কবিতা আবৃত্তি, বক্তৃতা, অভিনয় আদিৰ লগতে পৰিৱেশ সজাগতা অনুষ্ঠান পৰিৱেশন কৰি সমবেত লোকসকলক আপ্লুত কৰে। অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীক অভিনন্দনপত্ৰ আৰু উপহাৰেৰে উৎসাহিত কৰে উদ্যোক্তাসকলে। ইফালে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ১৪ বছৰৰ অনূৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৩১ মে'ত তৰণীস্থিত চিত্ৰকলা বিদ্যালয়ৰ সহযোগত অঞ্চলটোৰ বহুকেইখন বিদ্যালয়ৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাৰ ক শাখাত (পঞ্চম শ্ৰেণীলৈ) ঈশা শালৈ, ৰিমলী ডেকা, কংকণ দাস আৰু শ্লোক বৈদ্যঋষি কলিতা তথা খ শাখা (পঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈ)ত বৃষ্টি কলিতা, মহবুব আখতাৰ, ছিয়া কলিতা আৰু হিয়াশ্ৰী কলিতাই ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু নিচুকনি পুৰস্কাৰ লাভ কৰে। পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক যোগ্যতাৰ প্ৰমাণপত্ৰ, স্মাৰক, গ্ৰন্থ আৰু উপহাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে কামৰূপ জিলা সাহিত্য



সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধি, সম্পাদক ৰজনী শালৈ, সহকাৰী সম্পাদক তথা সাংবাদিক তৰণী চৰণ কলিতা, চিন্ময়'ছিছ একাডেমীৰ অধ্যক্ষা অশোকা দত্ত, ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় (ক)ৰ অধ্যক্ষ জাভেদ জামান, সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চন, অৱসৰী সহঃ খণ্ড উন্নয়ন বিষয়া চম্পাৱতী দাস প্ৰমুখ্যে কামৰূপ জিলা সাহিত্য সভাৰ বিষয়ববীয়াসকল, ৰণদিয়া (শতদল) সাহিত্য সভাৰ বিষয়ববীয়া, আজীৱন সভ্যসকল তথা বহুকেইজন আমন্ত্ৰিত বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা আৰু সাংগঠনিক সম্পাদক জয়ন্তজিৎ কলিতাৰ নেতৃত্বত আয়োজিত অনুষ্ঠানসূচী সফল ৰূপায়ণত উপস্থিতি আৰু সহযোগিতা আগবঢ়োৱা সদৌটিকে কামৰূপ জিলা সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ভানু চৌধুৰী ঠাকুৰীয়া, আহ্বায়ক কমল নাৰায়ণ বৈশ্য, ৰণদিয়া (শতদল) সাহিত্য সভাৰ সম্পাদক চৈয়দ মোস্তাফা আহমেদ আৰু বিদ্যাজ্যোতি শিশু নিকেতনৰ প্ৰধান শিক্ষক ভাস্কৰ কলিতা প্ৰমুখ্যে উদ্যোক্তাসকলে আন্তৰিক ধন্যবাদ জনাই কৃতজ্ঞতা প্ৰকাশ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠান সফল সামৰণি ঘটে।

অসম ভূমি ■ ১০ জুন, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# অপৰাধ প্ৰৱণতা

লাভ জেহাদৰ ঘটনাক কেন্দ্ৰ কৰি যোৱা ৩১ মে' ২০২৬ৰ নিশা নলবাৰী জিলাৰ গংগাপুৰত ছাত্ৰ সন্থাৰ স্থানীয় নেতা মাধুৰ্য বৰ্মনক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যা কৰা হ'ল। মাধুৰ্যৰ মাহীয়েকৰ ছোৱালী অৰ্থাৎ মৃদুমুদ্ৰা ডেকাকো আক্ৰমণ কৰা হ'ল, অৱশ্যে সৌভাগ্যক্ৰমে তেওঁৰ প্ৰাণহানি নহ'ল। নলবাৰী চহৰৰ পৰা এখন স্কুটিৰে গংগাপুৰৰ মৃদুমুদ্ৰাৰ ঘৰলৈ দুয়ো গৈ থকা অৱস্থাতে এই আক্ৰমণ সংঘটিত কৰা ৰোজ আলী ওৰফে আছিক খান পিছত আৰক্ষীৰ এনকাউণ্টাৰত নিহত হ'ল। এই ঘটনাৰ এদিন অগা-পিছাকৈ ছয়গাঁৱৰ কাৰৈমাৰীৰ আব্বাছ আলী নামৰ আদহীয়া লোকজনো আৰক্ষীৰ গুলীত আহত হ'ল। আব্বাছ আলীৰ অপৰাধ তেওঁৰ দোকানলৈ অহা ১০ বছৰীয়া কণমানি এগৰাকীক নিৰ্যাতন চলোৱাটো। যোৱা ৪ জুনত কৌশলেৰে মহামায়া বনাঞ্চললৈ নি বগৰীবাৰীৰ হানিফ আলী নামৰ লোকজনে পত্নীক হত্যা কৰি মৃতদেহটো বনাঞ্চলতে লুকুৱাই থৈ ঘৰলৈ উভিত আহি পত্নী সন্ধানহীন হোৱা বুলি বগৰীবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। পিছত আৰক্ষীয়ে তদন্ত চলাই হানিফৰ পত্নী মফিদা খাতুনৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে পত্নীহন্তা হানিফকো গ্ৰেপ্তাৰ কৰে। দুদিনমান পূৰ্বে লহৰীঘাটৰ চেনিমাৰীটো সংঘটিত হৈছে এটা জঘন্য ঘটনা। ওৱাহিদুল ইছলাম নামৰ লম্পটটোৱে এগৰাকী কলেজীয়া ছাত্ৰীক কলেজলৈ যোৱাৰ পথতে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। যোৱা ৫ জুনৰ ঘটনা। বটদ্ৰৱাৰ ৰামপুৰ পামত ৰূপছানা খাতুন নামৰ মহিলাগৰাকীক স্বামী আজাহাৰুল ইছলাম আৰু তেওঁৰ পৰিয়ালৰ কেইজনমান সদস্যই চোকা অস্ত্ৰৰে ডিঙি ৰেপি হত্যাৰ চেষ্টা চলায়। স্বামীৰ দ্বিতীয় বিবাহত যাতে বাধা দিব নোৱাৰে তাৰ বাবেই মহিলাগৰাকীক হত্যাৰ চেষ্টা চলোৱা বুলি ভুক্তভোগীয়ে থানাত এজাহাৰ দাখিল কৰিছে। এয়া মাত্ৰ যোৱা এসপ্তাহত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সংঘটিত অপৰাধজনিত ঘটনাৰ কেইটামান উদাহৰণহে মাথোঁ।


ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰতিদিনে সংঘটিত হৈ আহিছে অপৰাধজনিত ঘটনা। অপৰাধৰ সৰু-বৰ নাই। এটা ছাগৰী চুৰ কৰিলেও চোৰ, দহটা ছাগলী চুৰ কৰিলেও চোৰ বুলিয়েই ক'ব। হত্যা, ধৰ্ষণ, লুণ্ঠন, ড্ৰাগছৰ বেহা, চুৰি, ডকাইতি আদি বিভিন্ন ঘটনা প্ৰতিদিনে সংঘটিত হৈ আহিছে ৰাজ্যখনত। আমি যদি চাবলৈ যাওঁ এই ঘটনাবোৰৰ অধিকাংশৰ সৈতে জড়িত এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোক। ওপৰত উল্লেখ কৰাৰ দৰে এটা মাত্ৰ সপ্তাহত সংঘটিত হোৱা ঘটনাকেইটাৰ উদাহৰণেই ইয়াৰ বাবে যথেষ্ট। এতিয়া কথা হ'ল অপৰাধজনিত ঘটনা এই নিৰ্দিষ্ট সম্প্ৰদায়টোৰ লোকসকলৰ মাজত কিয় বেছি ইয়াৰ কাৰণ উলিয়াই এনে প্ৰৱণতা দূৰ কৰাটো। প্ৰতিখন চৰকাৰে তথাকথিত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। তেওঁলোকৰ বাবে চৰকাৰৰ এটা সুকীয়া বিভাগো আছে। এই সম্প্ৰদায়টোত বহু শিক্ষিত লোক আছে। সম্প্ৰদায়টোত আছে উচ্চপদস্থ প্ৰশাসনীয় বিষয়া, লেখক, সাহিত্যিক, চিকিৎসক, পণ্ডিত তথা আজীৱন অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ বাবে কাম কৰি অহা ব্যক্তি। এই সকলোৱে মিলি স্বগোষ্ঠীৰ লোকসকলৰ মাজত বৃদ্ধি পোৱা অপৰাধ প্ৰৱণতা দূৰ কৰিবলৈ হাতে-কামে লাগি কৰা উচিত। সংখ্যালঘু বসতিপ্ৰধান অঞ্চলৰ সমউন্নয়ন, সকলোকে শিক্ষিত কৰি এই সম্প্ৰদায়টোৰ এনে মানসিকতাৰ পৰিৱৰ্তন ঘটাব লাগিব। আমি নিজে সমাজ, সচেতন নহ'লে চৰকাৰী আইন-কানুন, জে'ল-আদালতে অকলে এই ঘটনাবোৰ নিৰ্মূল কৰিব নোৱাৰে। সকলোৱে মনত ৰখা উচিত সমাজখন অপৰাধমুক্ত হ'লেহে আমাৰ ভৱিষ্যৎ প্ৰজন্ম সুৰক্ষিত হ'ব। জাতি-মাটি-ভেটি সকলো সুৰক্ষিত হ'ব।

*"শিশুৰ মনোজগতত কল্পনাৰ স্থান অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ বাবে বাস্তৱৰ দ্বাৰা পৰিবেষ্টিত জীৱনৰ মাজত কল্পনাৰ জগতখনেই হ'ল প্ৰকৃত আশ্ৰয়। এজন শিশুৰ দৃষ্টিত এটা সাধাৰণ পাহাৰ হয়তো দৈত্যকায়সদৃশ, আনহাতে এখন পুৰণি কিতাপৰ পাতত শিশুগৰাকীয়ে বিচাৰি পাব পাৰে কোনো এক যাদুকৰী চৰিত্ৰ। এনেভাৱেই শিশু সাহিত্যই কল্পনাৰ জগতক শক্তিশালী কৰি তোলে। যাদুকৰী পাখিৰ কাহিনী, কথা কোৱা জন্তুৰ গল্প বা সপোনৰ দেশৰ ৰাজকুমাৰৰ অভিযানৰ কথাই শিশুৰ মনত নতুন চিন্তাৰ উদ্ৰেক কৰে। এনে গল্পই তেওঁলোকৰ সৃষ্টিশীলতাক জাগ্ৰত কৰে, কৌতূহলক উদ্দীপিত কৰে। উদাহৰণস্বৰূপে, এটা যাদুকৰী চৰাইৰ কাহিনীয়ে শিশুক সাহসী হ'বলৈ প্ৰেৰণা দিব পাৰে, তেওঁলোকৰ ভয় নাশ কৰাত সহায় কৰিব পাৰে। আচলতে কল্পনাৰ জগতত বিচৰণ কৰি শিশুৱে মানসিক চাপৰ পৰা মুক্তি পায় আৰু তেওঁলোকৰ মনত আনন্দৰ সোঁত ব'বলৈ ধৰে। শিশু সাহিত্যত কল্পনাক বিভিন্ন ৰূপত প্ৰকাশ কৰা হয়। কেতিয়াবা অলৌকিক কাহিনীৰে যাদুকৰী ৰূপত, য'ত দৈত্য, পৰী বা যাদুকৰে শিশুৰ মন মোহিত কৰে।"*

# শিশু সাহিত্যত কল্পনা-বাস্তৱতা

নলিনী ৰঞ্জন ভূঞা

শিশুকাল হৈছে মানৱ জীৱনৰ প্ৰথম অৱস্থা, যি অৱস্থাত জীৱনৰ আনন্দ, পৱিত্ৰ আৰু অনুপম সময় অতিবাহিত হয়। শিশুকালেই হ'ল মানৱ জীৱনৰ সোণালী সময়। শিশুৱে এই সময়ছোৱাত বাস্তৱ, অবাস্তৱ, প্ৰিয়, অপ্ৰিয়, যিকোনো কথাই কল্পনা কৰি এক অপূৰ্ব তৃপ্তি লাভ কৰে। শিশুৰ কোমল মনক দয়া, মৰম, সহানুভূতি আদি ভাববোৰে সাধাৰণতে আকৰ্ষিত কৰে। সেই সময়ছোৱাত শিশুৱে যি বিচাৰে তাকে পাবলৈ চেষ্টা কৰে। আচলতে কৌতূহলপ্ৰিয়তা শিশুৰ এটা গুণ। শিশুৰ মন সদায় কৌতূহলেৰে ভৰি থাকে। সেয়ে তেওঁলোকে সকলো কথা জানিব বিচাৰে। লগতে শিশুৱে যি দেখে, যি শুনে, তাকে অনুকৰণ কৰে। গতিকে পৰিয়াল আৰু সমাজৰ আচৰণে তাৰ ওপৰত গভীৰ প্ৰভাৱ পেলায়। শিশুৰ হৃদয় অতি নিৰ্মল। সেয়েহে তেওঁলোক সহজে বিশ্বাস কৰে, সহজতে ভয় খায় আৰু সহজে মানুহক চিনিব পাৰে। এই সময়ছোৱাতেই শিশুৰ ভাষা, চালচলন, মূল্যবোধ আদিৰ শিক্ষা আৰম্ভ হয়। সেয়েহে মানসিক, শাৰীৰিক আৰু নৈতিক বিকাশৰ বাবে শিশুকাল অতি গুৰুত্বপূৰ্ণ। লগতে যি পৰিৱেশত শিশু ডাঙৰ হয়, সেই পৰিৱেশেই শিশুৱে গ্ৰহণ কৰে। সেয়েহে শিশুকালত লাভ কৰা শিক্ষা আৰু অভ্যাসৰ ফলতেই শিশুগৰাকীৰ ভৱিষ্যতৰ জীৱন গঢ়ি উঠে। শিশুৰ শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে শিশু সাহিত্য। শিশুৰ জীৱনত শিশু সাহিত্যৰ প্ৰয়োজনীয়তা অপৰিসীম। শিশু সাহিত্য শিশুৰ মানসিক, বৌদ্ধিক, আৰু সামাজিক বিকাশৰ বাবে এক গুৰুত্বপূৰ্ণ মাধ্যম। শিশু সাহিত্যৰ জৰিয়তে শিশুৱে ভাষা শিকিব পাৰে, শব্দৰ ভাণ্ডাৰ বৃদ্ধি কৰিব পাৰে, কৌতূহল বৃদ্ধি কৰিব পাৰে আৰু কল্পনাক বিকশিত কৰিব পাৰে। ইয়াৰ উপৰি শিশু সাহিত্যই শিশুৰ নৈতিক বিকাশতো সহায় কৰে। শিশুসকল যিহেতু কল্পনাপ্ৰয়াসী, সেয়ে শিশু সাহিত্যই শিশুৰ কল্পনা শক্তি বিকশিত কৰাত সহায় কৰে। গল্প, সাধু, কবিতা আৰু কাহিনীৰ জৰিয়তে শিশুৱে নিজৰ কল্পনাৰ পৃথিৱী সৃষ্টি কৰিবলৈ শিকে। গতিকে সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাত কল্পনা আৰু বাস্তৱতাৰ সুমধুৰ মিলন ঘটাই শিশু সাহিত্যক এনে এক শক্তি প্ৰদান কৰে, যিয়ে শিশুৰ মানসিক, নৈতিক, সৃষ্টিশীল আৰু সামাজিক বিকাশত গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হয়। আমাৰ এই লেখাত শিশু সাহিত্যত কল্পনা আৰু বাস্তৱতাৰ ভূমিকা, তাৰ প্ৰভাৱ আৰু অসমীয়া শিশু সাহিত্যত ইয়াৰ সুন্দৰ প্ৰকাশৰ বিষয়ে এটি আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।



শিশু সাহিত্য হৈছে এনে এক সাহিত্যিক ধাৰা, যি শিশুৰ কোমল মন, তেওঁলোকৰ চিন্তাৰ স্তৰ আৰু কৌতূহলক কেন্দ্ৰ কৰি ৰচিত হয়। শিশু সাহিত্য কেৱল শিশুৰ মনোৰঞ্জনৰ মাধ্যম নহয়, ই তেওঁলোকৰ জীৱনৰ প্ৰথম শিক্ষাৰ আহিলা স্বৰূপ। শিশু সাহিত্যৰ ভাষা সৰল, মনোগ্ৰাহী উপস্থাপন, আকৰ্ষণীয় চিত্ৰ সম্বলিত আৰু ৰসাল কাহিনীৰে পূৰ্ণ। ইয়াত কল্পনাৰ যাদুকৰী ৰং থাকে, লগতে বাস্তৱৰ শিক্ষাৰ গুণ নিহিত হৈ থাকে। শিশুৰ বাবে সাহিত্য হৈছে এখন দাপোণ, যাৰ মাজেৰে তেওঁলোকে জগতখনক আৱিষ্কাৰ কৰে, নিজৰ মনলৈ অহা সপোনৰ সৈতে বাস্তৱৰ সংযোগ ঘটায়। সেয়ে সাহিত্যৰ এই বিশেষ ধাৰাই শিশুক কেৱল আনন্দ দিয়াই নহয়, তেওঁলোকৰ নৈতিকতা, চিন্তাশক্তি আৰু সৃষ্টিশীলতাক জীপাল কৰি তোলে।

শিশুৰ মনোজগতত কল্পনাৰ স্থান অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ বাবে বাস্তৱৰ দ্বাৰা পৰিবেষ্টিত জীৱনৰ মাজত কল্পনাৰ জগতখনেই হ'ল প্ৰকৃত আশ্ৰয়। এজন শিশুৰ দৃষ্টিত এটা সাধাৰণ পাহাৰ হয়তো দৈত্যকায়সদৃশ, আনহাতে এখন পুৰণি কিতাপৰ পাতত শিশুগৰাকীয়ে বিচাৰি পাব পাৰে কোনো এক যাদুকৰী চৰিত্ৰ। এনেভাৱেই শিশু

■ ১০ পৃষ্ঠাত




# শিক্ষাৰ জগতত কৃত্ৰিম বুদ্ধিমত্তা আৰু মানৱীয় সম্পৰ্কৰ মূল্য

সত্যব্ৰত বৰা

শিক্ষা মানৱ সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভিত্তি। সমাজৰ চিন্তা, সংস্কৃতি, নৈতিকতা আৰু ভৱিষ্যৎ প্ৰজন্মৰ দিশ নিৰ্ধাৰণ শিক্ষাৰ জৰিয়তেই হয়। যুগে যুগে শিক্ষাৰ পদ্ধতি সলনি হৈছে। কেতিয়াবা মৌখিক শিক্ষাৰ প্ৰচলন আছিল, তাৰ পিছত লিখিত পদ্ধতি আহিল। ছপাশাল আৱিষ্কাৰৰ পিছত শিক্ষাৰ জগতত এক বিশাল পৰিৱৰ্তন দেখা গ'ল। ইণ্টাৰনেটৰ যুগে জ্ঞান লাভ কৰাৰ পথ বহু গুণে সহজ কৰি তুলিলে। বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত যি নতুন বিপ্লৱ দেখা গৈছে, সেয়া হৈছে কৃত্ৰিম বুদ্ধিমত্তা বা আৰ্টিফিচিয়েল ইণ্টেলিজেন্সৰ ব্যৱহাৰ।

কৃত্ৰিম বুদ্ধিমত্তা মানে এনে প্ৰযুক্তি যি যন্ত্ৰক মানুহৰ দৰে চিন্তা কৰিব পৰা ক্ষমতা প্ৰদান কৰে। কম্পিউটাৰ বা ছফ্টৱেৰৰ জৰিয়তে তথ্য বিশ্লেষণ কৰা, সিদ্ধান্ত লোৱা, সমস্যা সমাধান কৰা আদি কৃত্ৰিম বুদ্ধিমত্তাৰ মূল বৈশিষ্ট্য। বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিয়ে এই ক্ষেত্ৰখনক অভূতপূৰ্ব গতিত আগুৱাই নিছে। চিকিৎসা, ব্যৱসায়, মহাকাশ অনুসন্ধান, কৃষি আদি বহু ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ ইতিমধ্যে দেখা গৈছে। শিক্ষাৰ ক্ষেত্ৰখনো এই প্ৰযুক্তিৰ পৰা পৃথক নহয়।

বৰ্তমান বহু বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত নতুন শিক্ষণ পদ্ধতি আৰম্ভ হৈছে। ডিজিটেল প্লেটফৰ্ম, স্মাৰ্ট লাৰ্নিং ছিষ্টেম, অনলাইন টিউটৰ, স্বয়ংক্ৰিয় মূল্যায়ন ব্যৱস্থা শিক্ষাৰ অংশ হৈ পৰিছে। শিক্ষাৰ্থীসকলে কম্পিউটাৰ বা ম'বাইল ফোনৰ সহায়ত যিকোনো সময়তে পাঠ শিকিব পাৰে। কৃত্ৰিম বুদ্ধিমত্তাই শিক্ষাৰ্থীৰ শিক্ষণ ধৰণ বিশ্লেষণ কৰি তেওঁলোকৰ বাবে উপযুক্ত পাঠ প্ৰস্তুত কৰিব পাৰে। কিছুমান শিক্ষাৰ্থীয়ে দ্ৰুতগতিত শিকে, কিছুমান আকৌ লাহে-ধীৰেহে বুজে। কৃত্ৰিম বুদ্ধিমত্তাই এনে পাৰ্থক্য চিনাক্ত কৰি ব্যক্তিগত শিক্ষণ পদ্ধতি প্ৰদান কৰিব পাৰে।

উদাহৰণস্বৰূপে, যদি এজন শিক্ষাৰ্থীয়ে গণিতৰ কোনো এটা বিষয় বুজিবলৈ অসুবিধা অনুভৱ কৰে, কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত সেই বিষয়টো সহজ উদাহৰণেৰে পুনৰ ব্যাখ্যা কৰাটো সম্ভৱ। শিক্ষাৰ্থীয়ে ভুল উত্তৰ দিলে ব্যৱস্থাই সেই ভুল বিশ্লেষণ কৰি ক'ত সমস্যা হৈছে বুজাব পাৰে। ফলত শিক্ষাৰ্থীয়ে নিজৰ ভুলৰ পৰা শিকিবলৈ সুযোগ পাব। এনে ধৰণৰ ব্যক্তিগত শিক্ষণ ব্যৱস্থাই বহু শিক্ষাৰ্থীক সহায় কৰিছে।

কৃত্ৰিম বুদ্ধিমত্তাৰ আন এটা সুবিধা হৈছে সময় সঞ্চয়। শিক্ষকসকলে বহু সময় মূল্যায়ন, ফলাফল প্ৰস্তুত কৰা, তথ্য সংগ্ৰহ কৰা আদি কামত ব্যয় কৰে। স্বয়ংক্ৰিয় প্ৰযুক্তিৰ সহায়ত এই কামবোৰ সহজে সম্পন্ন কৰিব পৰা যায়। ফলত শিক্ষকসকলে অধিকাংশ সময় শিক্ষাদান আৰু শিক্ষাৰ্থীৰ সৈতে আলোচনা কৰাত ব্যৱহাৰ কৰিব পাৰিব। বিদ্যালয় ব্যৱস্থাপনাতো এই প্ৰযুক্তি সহায়ক হৈছে। উপস্থিতি নথিভুক্ত কৰা, পাঠসূচী তৈয়াৰ কৰা, তথ্য বিশ্লেষণ কৰা আদি বহু কাম সহজ হৈছে।

কিন্তু শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰক লৈ বহু বিশেষজ্ঞৰ মাজত গভীৰ বিতৰ্কও চলি আছে। বহু শিক্ষাবিদে বিশ্বাস কৰে যে প্ৰযুক্তি উপকাৰী হ'লেও শিক্ষা কেৱল তথ্য প্ৰদান কৰা প্ৰক্ৰিয়াতে সীমাবদ্ধ নহয়। শিক্ষা হৈছে মানৱীয় সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰা এক জটিল সামাজিক প্ৰক্ৰিয়া। এজন শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত যি আস্থা, সহানুভূতি আৰু বুজাবুজি গঢ়ি উঠে, সেয়া যিকোনো যন্ত্ৰৰ বাবে অনুকৰণ কৰাটো অত্যন্ত কঠিন।

শিক্ষাৰ ক্ষেত্ৰত শিক্ষক কেৱল এজন পাঠদান কৰা ব্যক্তিয়েই নহয়। শিক্ষক হ'ল এজন পথ প্ৰদৰ্শক, অনুপ্ৰেৰণা দাতা আৰু নৈতিক দিশ নিৰ্দেশক। শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঠন, আচৰণ, মূল্যবোধ আৰু সামাজিক দায়িত্ববোধ গঢ়ি তোলাত শিক্ষকসকলৰ ভূমিকা অপূৰ্ব। কেতিয়াবা হয়তো কোনো এজন শিক্ষাৰ্থীৰ পাঠৰ প্ৰতি আগ্ৰহ নাথাকে। কেতিয়াবা হয়তো ব্যক্তিগত সমস্যাৰ বাবে দুখী হয়। তেনে সময়ত শিক্ষকসকলৰ সহানুভূতিপূৰ্ণ কথা আৰু উৎসাহে শিক্ষাৰ্থীৰ জীৱনত গভীৰ প্ৰভাৱ পেলাব পাৰে। যন্ত্ৰৰ পক্ষে এনে অনুভূতি বুজি পোৱাটো বা সহানুভূতি প্ৰকাশ কৰাটো সম্ভৱ নহয়।

বিদ্যালয় হৈছে সামাজিক শিক্ষাৰ ক্ষেত্ৰ। বন্ধু-বান্ধৱীৰ সৈতে মিলিজুলি বিভিন্ন কাম কৰা, দলগত চিন্তা চৰ্চা গঢ়ি তোলা, মতামত প্ৰকাশ কৰা, ভিন্ন মতামতক সন্মান কৰাৰ দৰে মূল্যবোধক বিদ্যালয়ৰ পৰিৱেশতেই শিকিবলৈ সুযোগ পোৱা যায়। কৃত্ৰিম বুদ্ধিমত্তাই ব্যক্তিগত শিক্ষণত সহায় কৰিব পাৰে; কিন্তু সামাজিক যোগাযোগ আৰু মানৱীয় সম্পৰ্কৰ বিকাশ ঘটাব নোৱাৰে।

শিক্ষাৰ মূল উদ্দেশ্য কেৱল তথ্য সংগ্ৰহ কৰাই নহয়। জ্ঞানৰ সৈতে যুক্তি, নৈতিকতা আৰু সমালোচনামূলক চিন্তাৰ বিকাশ অত্যন্ত গুৰুত্বপূৰ্ণ। যদি শিক্ষাৰ্থীয়ে কেৱল প্ৰযুক্তিৰ ওপৰতে নিৰ্ভৰ কৰি থাকে, তেন্তে চিন্তা কৰাৰ স্বতন্ত্ৰ ক্ষমতা কমি যাব। যিকোনো তথ্য সহজে লাভ কৰাটো সম্ভৱ হ'লে তাৰ সঠিকতা পৰীক্ষা কৰা বা বিশ্লেষণ কৰাৰ অভ্যাস হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে। শিক্ষাৰ্থীয়ে নিজে প্ৰশ্ন কৰা, যুক্তি বিচাৰ কৰা আৰু গভীৰ চিন্তা কৰাৰ অভ্যাস বজাই ৰখাটো অত্যন্ত প্ৰয়োজনীয়।

আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে নৈতিকতা। কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰাৰ সময়ত তথ্যৰ গোপনীয়তা, ন্যায়সংগত ব্যৱহাৰ আৰু সমতা নিশ্চিত কৰাটো প্ৰয়োজন। যদি কোনো ছিষ্টেমে পক্ষপাতমূলক তথ্য ব্যৱহাৰ কৰে, তেন্তে ফলাফলতো সেই পক্ষপাত দেখা যাব পাৰে। শিক্ষাৰ ক্ষেত্ৰত এনে সমস্যাই শিক্ষাৰ্থীৰ ভৱিষ্যতত প্ৰভাৱ পেলাব পাৰে। সেয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰত সতৰ্কতা আৰু নৈতিক দিশৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব।

কিছুমান শিক্ষাবিদে আশংকা প্ৰকাশ কৰিছে যে অত্যধিক প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে শিক্ষকসকলৰ ভূমিকা কমি যাব পাৰে; কিন্তু বহু বিশেষজ্ঞই ইয়াক সম্পূৰ্ণ সঠিক ধাৰণা বুলি মানি নলয়। প্ৰযুক্তিয়ে শিক্ষকক প্ৰতিস্থাপন কৰিবলৈ নহয়, বৰঞ্চ সহায় কৰিবলৈহে আহিছে। যদি সঠিকভাৱে ব্যৱহাৰ কৰা হয়, তেন্তে কৃত্ৰিম বুদ্ধিমত্তা শিক্ষকসকলৰ সহায়ক হ'ব পাৰে। শিক্ষকসকলে অধিক সৃষ্টিশীল পাঠদান, আলোচনা আৰু প্ৰায়োগিক শিক্ষাৰ ওপৰত গুৰুত্ব দিব পাৰিব।


উদাহৰণস্বৰূপে, ইতিহাস পাঠদানৰ সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰাচীন সভ্যতাৰ ভাৰ্চুৱেল অভিজ্ঞতা প্ৰদান কৰিব পৰা যায়। বিজ্ঞান শিক্ষাত জটিল পৰীক্ষা বা প্ৰক্ৰিয়া ভাৰ্চুৱেল মডেলৰ সহায়ত বুজাব পাৰি। প্ৰযুক্তিয়ে শিক্ষাক অধিক আকৰ্ষণীয় কৰিহে তোলে। শিক্ষাৰ্থীয়ে কল্পনা আৰু অনুসন্ধানৰ জৰিয়তে বিষয়বস্তু বুজিবলৈ আগ্ৰহী হয়।

শিক্ষাৰ ভৱিষ্যৎ সঠিকভাৱে গঢ়ি তুলিবলৈ প্ৰযুক্তি আৰু মানৱীয় মূল্যবোধৰ মাজত সমন্বয় অতি প্ৰয়োজনীয়। কৃত্ৰিম বুদ্ধিমত্তাই শিক্ষাৰ প্ৰণালী উন্নত কৰিব পাৰে; কিন্তু শিক্ষা সম্পূৰ্ণৰূপে যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল হ'ব নালাগে। শিক্ষক, শিক্ষাৰ্থী আৰু বিদ্যালয়ৰ পৰিৱেশে একেলগে শিক্ষাৰ সজীৱতা সৃষ্টি কৰে। মানুহৰ মাজত যি আৱেগ, অনুভূতি আৰু সহানুভূতি থাকে, সেয়াই শিক্ষাৰ প্ৰকৃত শক্তি।

বিশ্বজুৰি বহু শিক্ষা বিশেষজ্ঞই একে মত প্ৰকাশ কৰিছে যে ভৱিষ্যতৰ বিদ্যালয়ত প্ৰযুক্তি আৰু শিক্ষকে একেলগে কাম কৰিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তাই তথ্য বিশ্লেষণ, ব্যক্তিগত শিক্ষণ আৰু প্ৰশাসনিক কাম সহজ কৰিব। আনহাতে শিক্ষকসকলে শিক্ষাৰ মানৱীয় দিশটো শক্তিশালী কৰি ৰাখিব। নৈতিক শিক্ষা, সমালোচনামূলক চিন্তা আৰু সামাজিক দক্ষতা বিকাশৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা অমূল্য হৈ থাকিব।

শিক্ষাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ আগমন এক নতুন অধ্যায়ৰ আৰম্ভণি। ই শিক্ষাৰ নতুন সম্ভাৱনা উন্মুক্ত কৰিছে। দূৰৱৰ্তী অঞ্চলত থকা শিক্ষাৰ্থীয়ে অনলাইন প্লেটফৰ্মৰ সহায়ত মানসম্মত শিক্ষা লাভ কৰিব পাৰিব। দৃষ্টিহীন বা বিশেষ চাহিদাসম্পন্ন শিক্ষাৰ্থীৰ বাবে বিশেষ সহায়ক ব্যৱস্থা তৈয়াৰ কৰা সম্ভৱ হৈছে। এইবিলাক সুবিধাই শিক্ষাক অধিক সমতা ভিত্তিক কৰি তুলিব পাৰে।

কিন্তু সঠিক নীতি আৰু পৰিকল্পনা অবিহনে প্ৰযুক্তি ব্যৱহাৰ কৰিলে সমস্যাৰো সৃষ্টি হ'ব পাৰে। সেয়েহে শিক্ষা ব্যৱস্থাত প্ৰযুক্তি সংযোজন কৰাৰ সময়ত শিক্ষক, নীতিনিৰ্ধাৰক আৰু সমাজৰ সকলো অংশৰ মতামতক গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। প্ৰযুক্তিৰ সৈতে মানৱীয় মূল্যবোধৰ সমন্বয় ঘটিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব। শিক্ষা মানে কেৱল পাঠ্যপুথিৰ জ্ঞানেই নহয়। শিক্ষা মানে হ'ল মানুহক সৎ, দায়িত্বশীল আৰু সচেতন নাগৰিক হিচাপে গঢ়ি তোলাহে। কৃত্ৰিম বুদ্ধিমত্তাই বহু কাম সহজ কৰিব পাৰে হয়; কিন্তু মানৱ হৃদয়ৰ উষ্ণতা, সহানুভূতি আৰু প্ৰেৰণা কোনো যন্ত্ৰই সম্পূৰ্ণৰূপে প্ৰতিস্থাপন কৰিব নোৱাৰে। এজন শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত যি বিশ্বাস আৰু মানৱীয় সম্পৰ্ক গঢ়ি উঠে, সেয়াই শিক্ষাৰ সৰ্বশ্ৰেষ্ঠ শক্তি। ভৱিষ্যতৰ শিক্ষা ব্যৱস্থা তেতিয়াই সফল হ'ব যেতিয়া প্ৰযুক্তি আৰু মানৱীয়তা একেলগে আগুৱাই যাব।



# গীতিকবিতা


**ৰুমী কলিতা দত্ত**

নিৰিবিলি নিজান ৰাতি
কিয় থাকা সাৰে তুমি
সপোন জাগেনে ওৰে ৰাতি ?
অচিন পক্ষীয়ে মাতে
আৱেগবোৰ সৰি পৰে
জ্বলে আশাৰে বন্তি।

দিহিঙৰ সৰু সুঁতি
বনফুল যায় উটি উটি
ঘাটত ধৰে কোনে সাবটি ?
কোনে হিয়াৰ পথাৰত
বনফুলৰ গুটি সিঁচি
সজাই তোলে মন ফুলনি।

দূৰণিৰ অচিন পক্ষী
ডেউকা মেলি উৰি আহি
সাজিবনে ডালত বাহ এটি ?
মন কুমলীয়া পক্ষী
ঢৌ তোলে হাঁহি হাঁহি
থাকে বিষাদৰ বাহ সাজি।

সুখ-দুখৰ লগৰী
সদায় থাকে বুকুত সাবটি
সৰাব নোৱাৰে বতাহে পাহি !
ৰঙীন অট্টালিকা সাজে
অন্তৰৰ প্ৰতি চুকে-কোণে
মনত নাচে জিলমিল জোনাকী।



# এৰাসুঁতি

**বিভা বিন্দু কোঁৱৰ**

নৈয়ে এৰি যোৱাৰ দুখত
এৰাসুঁতিয়ে বিনাই
নাৱৰীয়া তই, এই বাটে নাহিবি
দুনাই
নাসাজিবি মোৰ বুকুত তোৰ
স্বপ্নৰ কাৰেং
নামাৰিবি সেই সুহুৰি য'ত
ভৰুণ হয় নৈপৰীয়া গাভৰুৰ
বুকুৰ স্পন্দন
এতিয়া যে মোৰ বুকুত নুফুলে কঁহুৱা
নবলে বসন্তৰ ৰাগী লগা বা
নাবাজে অমৃত ৰাগিণী সুৰ
সময়ৰ চাকনৈয়াত বন্দী
মোৰো জীৱনৰ কাহিনী
না যাব পাৰো উজাই
না যাব পাৰো ভটিয়ায়।



# আমি যাত্ৰা কৰিছিলো

**হিমাজ্যোতি তালুকদাৰ**

বিনাদ্বিধাই সকলো কোৱাৰ পিছতো
কিন্তু এটাই ৰৈ থাকে
যিদৰে ৰৈ থাকে
দিনৰ পিছত দিন
ঋতুৰ পিছত ঋতু

ইমানখিনি কোৱাৰ পিছতো
তেওঁ মোৰ আপোন নাছিল
আচলতে তেওঁ মোক একেবাৰে বুজা নাছিল

জীৱন-বাটত সহযাত্ৰী হোৱা
প্ৰতিশ্ৰুতি দিছিল
কিন্তু আশ্বাসৰ হাত কেতিয়াও
আগবঢ়োৱা নাছিল
অথচ আমি যাত্ৰা কৰিছিলো...



# কবিসকলৰ পৰ্ণ কুটীৰ

**অনন্ত কুমাৰ ভূঞা**


পৰ্ণ কুটীৰত অপূৰ্ণ বাসনাৰে
জন্ম লাভ কৰাসকল
আমাৰ নিচিনাই হৃদয়ৱান মানুহ।
ব্যতিক্ৰম এটাই
কলমৰ খোঁচত প্ৰাণময়ী ছন্দৰ
অনুভৱ নিগৰাই দিব পৰা
বাবেই কবি।
শিলৰ খাজত
নৃত্য পটীয়সীৰ চিত্ৰকলাৰ
ৰঙীন ছবি অংকনেৰে
নতুন সৃষ্টিৰে ৰামধেনু আঁকাজনেই কবি।
আলফুল এখনি কোমল হৃদয়
মেটমৰা অনুভৱৰ বোজা বৈ
ভাগৰি নপৰাজন
নৈ পাৰত নীৰৱে বহি
ফটিকা খাই জোনাকত সপোন দেখা
সাগৰৰ বিশাল বুকুৰ
ঢৌত উপঙি ফুৰাজনেই কবি।
শীতৰ সন্ধ্যা জুহালৰ কাষত বহি
এপিয়লা ফিকা চাহৰ সোৱাদত
হৃদয় ভঙা কবিতাৰ জন্ম দিয়া
মৃত্যুলৈ ভয় নকৰাজনেই কবি।
কবিতানো কি
ওৰণিৰ তলত অবুজ শব্দই
নাচি থকা লেখাই কবিতা
বৰহমথুৰি সনা দুটি ওঁঠ।
উপাৰ্জনবিহীন
টলৌ টলৌকৈ
হাবাথুৰি খাই ঘূৰি ফুৰা অনুভৱী
মনৰ মানুহজনেই কবি।
প্ৰেমেৰে হৃদয় পৰিপূৰ্ণ
কিন্তু প্ৰেম বিচাৰি শিলত মূৰ
নফলাজনেই কবি।
সৰ্বহাৰাৰ অৰ্থ বুজি পোৱা
ভিক্ষা নকৰা
জোলোঙাত আৱেগ-অনুভৱৰ
বাহিৰে আন মূলধন নথকা
দাইল পানীৰে ভোকৰ সুস্বাদু আহাৰ কৰা
অহংকাৰ কৰিবলৈ সময় নাইকিয়াজনেই কবি।
মাজৰাতি গছৰ তলত
ভৰদুপৰীয়া নদী পাৰৰ বালিত শুই
বালিমাহীৰ প্ৰেমত ব্যাকুল
কঁহুৱা ফুলৰ মৰমত আকুল
জিলমিল জোনাকত ধেমালি কৰাজনেই কবি।
আৱেগভৰা এইসকলৰ
বিলাসী জীৱন নাই
জাগতিক ধৰ্ম নাই
আৰাধনাই জীৱনৰ লাগতিয়াল ধৰ্ম
প্ৰেৰণাৰ অনুভূতিয়ে কৰ্ম।

# ৰমেশ চন্দ্ৰ কলিতাৰ

## শিক্ষকতা, সাহিত্য সৃষ্টি আৰু ব্যক্তিত্বৰ সাৱলীল প্ৰকাশ



# অতন্দ্ৰ অতিৰথী




পংকজ বেজবৰুৱা

ৰমেশ চন্দ্ৰ কলিতা এগৰাকী জনপ্ৰিয় শিক্ষক, সমাজৰ মংগলকামী, অল্পভাষী, হাঁহিমুখীয়া লোক। খোজ-কাটলত গহীন-গম্ভীৰ, পিন্ধন-উৰণত সাধাৰণ যদিও পৰিপাটি। দেখিলেই মানুহগৰাকীক সহজ-সৰল লোক বুলি পতিয়ন যাব পাৰি। তাতকৈও এগৰাকী ভাল লোক বুলি ক'লেহে নলবাৰী জিলাৰ টিহু চক্ৰৰ নখৰা গাঁও নিৱাসী এই লোকগৰাকীৰ ব্যক্তিত্বৰ বিষয়ে কিছু কোৱা হয়। নিজৰ দায়িত্ব আৰু কৰ্মৰ প্ৰতি সদায় সচেতন লোকগৰাকীয়ে সাহিত্য সাধনাৰে অসমীয়া ভাষা, সাহিত্য চহকী কৰিছে। সাংস্কৃতিক ভাব, চিন্তাৰে সদা প্ৰাণৱন্ত ৰমেশ চন্দ্ৰ কলিতাই বাংলা ভাষাৰ পৰা অসমীয়া ভাষালৈ নাট ভাষান্তৰ কৰি এসময়ত নাটৰ অভাৱ পূৰণ কৰিছিল। সাহিত্য ৰচনা একপ্ৰকাৰ জীৱনৰ গতি; আজীৱন আনন্দৰ উৎস। দীপ্তিমন্ত সামাজিক চেতনাৰে সৃষ্ট সাহিত্যই সমাজৰ ৰূপান্তৰ ঘটায়। ৰমেশ চন্দ্ৰ কলিতাই নাট লিখা, অভিনয় কৰা, নাটৰ ব্যৱস্থাপনা কৰা আদিৰ জৰিয়তে নিজৰ জীৱনক সুশীল গতি দিছিল। সমাজক সংগঠিত কৰিছিল। তাতেই তেওঁ আনন্দৰ উৎস বিচাৰি পাইছিল। সেই নান্দনিক কৰ্মবোৰৰ বিন্দুপ্ৰভা সমাজত সিঁচৰতি হৈছিল। সমাজখনৰ প্ৰতি এয়া আছিল তেওঁৰ এসময়ৰ অতি মূল্যৱান বৌদ্ধিক সেৱা। এয়া সামাজিক দায়বদ্ধতাৰ চানেকি। সাহিত্য, সংস্কৃতি আৰু সমাজক ভাল পোৱাৰো প্ৰতীক। টিহুৰ পৰমানখোৱা নিৱাসী ৰেল বিভাগৰ কৰ্মচাৰী পিৰোৰাম শীলৰ জৰিয়তে ৰেল বিভাগৰে বিষয়া পশ্চিমবংগৰ আলিপুৰদুৱাৰৰ তুষাৰ চট্টোপাধ্যায় নামৰ লোকগৰাকীৰ সৈতে তেওঁৰ অন্তৰংগতা গঢ়ি উঠিছিল। সেই সময়ত তেওঁ বাংলা ভাষাৰ প্ৰখ্যাত লেখকৰ নানা কিতাপ পঢ়ি বাংলা ভাষাৰ প্ৰতি আকৃষ্ট হৈছিল যদিও বাংলাভাষী বান্ধৱগৰাকীৰ সৈতে অন্তৰংগতা বাঢ়ি যোৱাৰ বাবে ভাষাটো শিকাত বাৰুকৈয়ে সুবিধা হৈছিল। বাংলা ভাষা ভালদৰে আয়ত্ত কৰাৰ ফলত তাৰ ভাব-ভাষা সাৱলীলভাৱে অসমীয়াত প্ৰকাশ কৰিব পাৰে। নাটবোৰত তাৰ প্ৰতিফলন স্পষ্ট। অনুবাদ এক শিল্প। এই শিল্পক সকলোৰে বাবে মনোগ্ৰাহী কৰি তুলিবলৈ দক্ষতাৰ বিশেষ প্ৰয়োজন। সেই দক্ষতা কলাৰূপত উদ্ভাষিত হয়, যেতিয়া অনূদিত বা নতুনকৈ সৃষ্ট সাহিত্য পঢ়ুৱৈ সমাজে আদৰি লয়। সাধাৰণ জীৱন-যাপনেৰেই দেখুওৱা তেওঁৰ ভেমহীন আন্তৰিক সাৱলীল এনে সাহিত্যকৃতিয়ে আমাক খুবেই আহ্লাদিত কৰে।


ৰমেশ চন্দ্ৰ কলিতাৰ ছপা আকাৰত প্ৰকাশিত অনিন্দ্য সাহিত্য সৃষ্টিৰ দুখন পুথি হৈছে 'অনুপ্ৰৱেশ' আৰু 'ৰজনীগন্ধা'। দুয়োখনৰে বেটুপাত আকৰ্ষণীয়কৈ আঁকিছে আৰু শব্দবোৰ আটোম-টোকাৰিকৈ সজাইছে টিহুৰ অগ্ৰণী ছপাশালৰ গৰাকী ৰাতুল কলিতাই। ২০১৫ খৃষ্টাব্দত 'অনুপ্ৰৱেশ' নামৰ উপন্যাসখন প্ৰকাশ হৈছে। ১১৮ পৃষ্ঠাৰ এই পুথিখন প্ৰকাশ কৰিছে টিহুৰ চেতনা সাহিত্য সমাজে। এইখনৰ মূল লেখক বাংলা ভাষাৰ এগৰাকী জনপ্ৰিয় লেখক তুষাৰ চট্টোপাধ্যায়। উপন্যাসখনৰ জৰিয়তে ভাৰতবৰ্ষৰ এটা অগ্নিগৰ্ভ সময়ৰ জলছবি প্ৰকাশ হৈছে। এয়া যেন ৰক্তাক্ত যুঁজৰ জলছবি। সাৱলীলভাৱে কৰা বৰ্ণনাই উপন্যাসখনৰ প্ৰতিটো অধ্যায় পঢ়ি বিমল ৰস পোৱা যায়। এটা অধ্যায় পঢ়াৰ পাছত, পাছৰ অধ্যায়টো পঢ়িবলৈ আগ্ৰহ জন্মে। প্ৰতিটো অধ্যায়ত পোৱা যায় সাহিত্যৰ ৰস আৰু বিমল সুৱাস। ইয়াতেই প্ৰস্ফুটিত হৈছে আমাৰ লেখকগৰাকীৰ সাহিত্য বৰ্ণনাৰ কৌশল আৰু দক্ষতা। বিশিষ্ট সাহিত্যিক ড° বসন্ত কুমাৰ গোস্বামীয়ে অনুবাদ সন্দৰ্ভত কোৱা এযাৰি মূল্যৱান কথা হৈছে, 'অনুবাদ কৰিবলৈ অনুবাদকৰ ভালেখিনি প্ৰস্তুতি লাগে। উৎস ভাষা (Source language) আৰু লক্ষ্য ভাষাৰ (Target language) ধৰ্ম যথাযথভাৱে ৰক্ষা কৰাটো বৰ টান কাম। কিয়নো বিশ্বৰ সকলো ভাষাৰ প্ৰতিটো শব্দৰ লগত সংশ্লিষ্ট ভাষা-ভাষীৰ গাঁথনিক ধৰ্মৰ লগতে সাংস্কৃতিক ধৰ্মৰ বন্ধন সংযুক্ত হৈ থাকে। কবিতা, গল্প, উপন্যাস অনুবাদ কৰোতে কেতিয়াবা ই অনুসৃষ্টি (Transcreation) বা অধিসৃষ্টিলৈ (ড° মহেন্দ্ৰ বৰাই Transcreation-অক অধিসৃষ্টি বুলিছিল।) ৰূপান্তৰ হ'ব পাৰে।' ব্যৱহাৰিক দিশৰ এই সকলো আয়ত্ত কৰি ৰমেশ চন্দ্ৰ কলিতাই অনুবাদ সাহিত্যত নিশ্চয়কৈ সফল হৈছিল।

ৰমেশ চন্দ্ৰ কলিতাৰ আনখন পুথি 'ৰজনীগন্ধা' প্ৰকাশ হয় ২০১৯ খৃষ্টাব্দত। একাধিকবাৰ মঞ্চায়ন হোৱা এইখন পূৰ্ণাংগ নাট। 'ৰজনীগন্ধা' হৈছে বাংলা ভাষাৰ প্ৰখ্যাত নাট্যকাৰ ভৈৰৱ গংগোপাধ্যায়ৰ সামাজিক নাট 'কান্না-ঘাম-ৰক্ত'ৰ অসমীয়া ভাষান্তৰ। প্ৰকাশ কৰিছে টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনে। ১০২ পৃষ্ঠাৰ এই পুথিখনৰ পাতনিতে অনুবাদক ৰমেশ চন্দ্ৰ কলিতাই লিখিছে— 'সেয়া ১৯৬১ নাইবা ১৯৬২ চনমানৰ কথা। মই তেতিয়া হাউলী নৰ্মাল শিক্ষক প্ৰশিক্ষণ বিদ্যালয়ৰ ছাত্ৰ। পূজাৰ বন্ধ, বিহুৰ বন্ধ আদিত ঘৰলৈ আহো। সেই সময়ত অৰ্থাৎ ব'হাগ বিহুৰ সাত বিহুৰ দিনাখনত আমাৰ পুৰণি গাঁও ক্ষেত্ৰাপাৰাৰ ভঠেলি উৎসৱত গাঁৱৰ ডেকা-বুঢ়া সকলোৱে লগ লাগি এখন নাট অভিনয় কৰা হয়। বয়সীয়ালৰ ভিতৰত আমাৰ সৰু খুৰা বাণেশ্বৰ ডেকাও এগৰাকী আগ্ৰহী নাট্যকৰ্মী আছিল। তেওঁলোকৰ অভিনয়ৰ আখৰা দেখি মোৰ মনতো নাট অভিনয়ৰ প্ৰতি অদম্য স্পৃহা জাগিল। সেয়ে প্ৰশিক্ষণ বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ আহি গাঁৱত নাট্যকৰ্মী হিচাপে নাট অভিনয়ত মন মেলিলো। সেই সময়ত বঙলা ভাষাৰ প্ৰখ্যাত নাট্যকাৰৰ ভাল নাটক ডাকযোগে কিনি আনি চাহিদা অনুযায়ী অনুবাদ কৰিবলৈ লওঁ।' অনুবাদকৰ স্বগতোক্তিত প্ৰকাশ হৈছে তেওঁৰ নাটৰ প্ৰতি থকা অমলিন স্পৃহাৰ বিষয়ে। এগৰাকী নাট্য সাংস্কৃতিককৰ্মী হিচাপে ৰমেশ চন্দ্ৰ কলিতা বাৰুকৈ সফল হোৱা বুলি ক'ব পাৰি। অতুলচন্দ্ৰ হাজৰিকাৰ 'কনৌজ কুঁৱৰী' নামৰ প্ৰখ্যাত নাটখনত তেওঁ প্ৰথম অভিনয় কৰিছিল। এই নাটখনেই তেওঁৰ জীৱনৰ নাট্যাভিনয়ৰ আঁৰ কাপোৰ আঁতৰাইছিল। স্বৰাজোত্তৰ লগে লগে স্বাভিমানী মানুহৰ মন মুকলিমূৰীয়া, ফৰকাল হ'বলৈ ধৰে। এনে সময়ত বিভিন্ন তিথি, উৎসৱ বা ঋতুকালীন পৰ্বত গাঁৱৰ ডেকাসকলে নাট মঞ্চায়ন কৰিব খুজিলেও অসমীয়া লেখকৰদ্বাৰা ৰচিত অসমীয়া নাট পোৱা নগৈছিল। অসমীয়া নাটৰ অভাৱে দেখা দিছিল। ফলত বহু লোকৰ নাট্যাভিনয়ৰ হেঁপাহ অপূৰ্ণ হৈছিল। তেনে থলত ৰমেশ চন্দ্ৰ কলিতাই বাংলা ভাষাৰ বিশিষ্ট নাট্যকাৰৰ নাট ডাকযোগে কিনি আনি সেইবোৰ অসমীয়ালৈ ভাষান্তৰ কৰি নিজে অভিনয় কৰাৰ লগতে আনকো উৎসাহ যোগাইছিল। তেনেদৰে তেওঁ স্থানীয়ভাৱে মঞ্চায়িত বেছিভাগ নাটৰ অভাৱ পূৰাইছিল।

এখন দুখনকৈ ক্ৰমে তেওঁ অনুবাদ কৰা নাটবোৰ হৈছে কবৰৰ মাটি, চুলতানা ৰেজিয়া, দেনা-পাওনা, চন্দ্ৰহংস, দস্যু অৰিন্দম, ৰজনীগন্ধা, অভিশপ্ত প্ৰেম, আশাৰে বান্ধিলো ঘৰ আদি। 'কনৌজ কুঁৱৰী'য়ে নাট্যাভিনয়ৰ নিচা লগাই দিয়াৰ পাছত তেওঁ বিপ্লৱী বীৰ, বৰ মানুহৰ দোলা, কবৰৰ মাটি, মানৱ দিন, হৰিশ্চন্দ্ৰ, ৰক্ষ কুমাৰ, হৰি বাসৰ, উল্কাৰ চৰ, মাতৃ পূজা, মই ভিক্ষাৰী, অভিশপ্ত প্ৰেম, ৰজনীগন্ধা, ৰাজপুত বীৰ, দস্যু মিনেন্দাৰ, বৰদৈচিলা, মামৰে ধৰা মানুহ, দেনা পাওনা, অপাৰ সমুদ্ৰৰ নাৱৰীয়া, দস্যু অৰিন্দম, শত্ৰু কন্যা, সাঁকো আদি প্ৰায় দুকুৰি নাটত অভিনয় আৰু নাট নিৰ্দেশনৰ যাৱতীয় দিহা কৰি স্থানীয়ভাৱে নাট্য সংস্কৃতিৰ এক জাগৰণ আনিছিল। এই সাংস্কৃতিক জাগৰণ হৈছে মানুহক সামাজিকভাৱে শক্তিশালীৰূপত জীয়াই থকাৰ অব্যয় শকতি প্ৰদানৰ বলিষ্ঠ মাধ্যম। সংস্কৃতিয়ে সমাজক জাগ্ৰত কৰে। চেতনাক যোগাই তোলে। সাহস যোগায়। পোহৰৰ দুৱাৰ মুকলি কৰে। নতুন বাট দেখুৱায়। ই সমাজ ৰূপান্তৰৰো পথ। তেওঁ আঞ্চলিকভাৱে নাট্য সংস্কৃতিৰ শ্ৰী ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ অশেষ চেষ্টা কৰিছিল। সেয়ে অঞ্চলটোৰ লোকসকলৰ সৈতে নাট্য সংস্কৃতিৰ বিষয়ে আলচ কৰিলে ৰমেশ চন্দ্ৰ কলিতাৰ নামটোৱে অৱধাৰিতভাৱে দীঘলীয়া সময়ৰ আনন্দ আৰু ৰসঘন আয়তনে আৱৰি ধৰে।

তেওঁৰ ■ ১০ পৃষ্ঠাত

**সাহিত্য, সংস্কৃতি আৰু সমাজক ভাল পোৱাৰো প্ৰতীক। টিহুৰ পৰমানখোৱা নিৱাসী ৰেল বিভাগৰ কৰ্মচাৰী পিৰোৰাম শীলৰ জৰিয়তে ৰেল বিভাগৰে বিষয়া পশ্চিমবংগৰ আলিপুৰদুৱাৰৰ তুষাৰ চট্টোপাধ্যায় নামৰ লোকগৰাকীৰ সৈতে তেওঁৰ অন্তৰংগতা গঢ়ি উঠিছিল। সেই সময়ত তেওঁ বাংলা ভাষাৰ প্ৰখ্যাত লেখকৰ নানা কিতাপ পঢ়ি বাংলা ভাষাৰ প্ৰতি আকৃষ্ট হৈছিল যদিও বাংলাভাষী বান্ধৱগৰাকীৰ সৈতে অন্তৰংগতা বাঢ়ি যোৱাৰ বাবে ভাষাটো শিকাত বাৰুকৈয়ে সুবিধা হৈছিল। বাংলা ভাষা ভালদৰে আয়ত্ত কৰাৰ ফলত তাৰ ভাব-ভাষা সাৱলীলভাৱে অসমীয়াত প্ৰকাশ কৰিব পাৰে। নাটবোৰত তাৰ প্ৰতিফলন স্পষ্ট। অনুবাদ এক শিল্প। এই শিল্পক সকলোৰে বাবে মনোগ্ৰাহী কৰি তুলিবলৈ দক্ষতাৰ বিশেষ প্ৰয়োজন। সেই দক্ষতা কলাৰূপত উদ্ভাষিত হয়, যেতিয়া অনূদিত বা নতুনকৈ সৃষ্ট সাহিত্য পঢ়ুৱৈ সমাজে আদৰি লয়। সাধাৰণ জীৱন-যাপনেৰেই দেখুওৱা তেওঁৰ ভেমহীন আন্তৰিক সাৱলীল এনে সাহিত্যকৃতিয়ে আমাক খুবেই আহ্লাদিত কৰে।**



# চহৰৰ পোহৰৰ মাজত হেৰাই যোৱা আকাশ

কানুপ্ৰিয়া ডেকা

এসময়ত আকাশ মানেই আছিল এক বিশাল অনুভৱৰ নাম। সন্ধিয়া নামিলেই গাঁৱৰ পথাৰত, ঘৰৰ চোতালত অথবা বাঁহৰ ফাঁকে ফাঁকে মানুহে ওপৰলৈ চাই থাকিছিল। জোন, তৰা, ডাৱৰ, জোনাকী— এই সকলোবোৰে যেন মানুহৰ জীৱনত এক সুকীয়া শান্তি আনিছিল। শিশুসকলে আকাশ চাই তৰাৰ সংখ্যা গণিছিল, ডাঙৰসকলে পূৰ্ণিমাৰ জোনত বহি জীৱনৰ কথা পাতিছিল; কিন্তু সময় সলনি হ'ল। আধুনিকতাৰ নামত চহৰবোৰ পোহৰেৰে ভৰি উঠিল আৰু সেই পোহৰৰ মাজতেই কেতিয়াবা নিঃশব্দে হেৰাই গ'ল আকাশখন।

আজিৰ চহৰত ৰাতি মানেই নিস্তব্ধ অন্ধকাৰ নহয়। নিয়ন লাইট, ডাঙৰ ডাঙৰ বিল্ডিংৰ আলোকসজ্জা, বিজ্ঞাপনৰ জলমলীয়া স্ক্ৰীন, গাড়ীৰ হেডলাইট— এই সকলোবোৰে মিলি ৰাতিক দিনৰ দৰে উজলাই তোলে। চহৰৰ মানুহে হয়তো এই পোহৰত উন্নয়নৰ ছবি দেখে; কিন্তু এই পোহৰৰ উজ্জ্বলতাৰ মাজতেই ধীৰে ধীৰে ম্লান হৈ গৈছে আকাশৰ স্বাভাৱিক সৌন্দৰ্য। এতিয়া বহু শিশুৱে স্পষ্টকৈ মিল্কি ৱে দেখা নাই, বহুতে তৰাৰে ভৰা আকাশ কল্পনাতহে চিনি পায়। যেন চহৰৰ কংক্ৰিটৰ জংঘলে আকাশখনকো বন্দী কৰি পেলাইছে।

আকাশ হেৰাই যোৱাটো কেৱল প্ৰকৃতিৰ ক্ষতি নহয়, ই মানুহৰ অনুভৱৰো ক্ষতি। আগতে মানুহে আকাশলৈ চাই সপোন দেখিছিল। এখন মুক্ত আকাশ মানুহৰ মনটোকো মুক্ত কৰি তুলিছিল। কিন্তু এতিয়া মানুহৰ চকু আকাশতকৈ ম'বাইলৰ স্ক্ৰীনত বেছি। বহুতৰে ঘৰৰ বাৰান্দা আছে; কিন্তু জোন চাই বহিবলৈ সময় নাই। চহৰৰ ব্যস্ত জীৱনত মানুহে ধন, সফলতা, চাকৰি, প্ৰতিযোগিতাৰ পিছত দৌৰি থাকোতে আকাশলৈ এবাৰ মূৰ তুলি চোৱাৰ অভ্যাসটোও যেন পাহৰি পেলাইছে।

চহৰৰ পোহৰৰ এক ডাঙৰ সমস্যা হ'ল 'আলোক প্ৰদূষণ'। অতিমাত্ৰা কৃত্ৰিম পোহৰে নিশাৰ স্বাভাৱিক পৰিৱেশ নষ্ট কৰে। এই আলোক প্ৰদূষণৰ বাবে কেৱল তৰাবোৰেই অদৃশ্য হোৱা নাই, বহু জীৱ-জন্তুৰ জীৱনচক্ৰতো প্ৰভাৱ পৰিছে। নিশাচৰ চৰাই, পতংগ, জীৱ-জন্তুৱে স্বাভাৱিক দিশ হেৰুৱাই পেলায়। বিজ্ঞানীসকলে কৈছে যে অতিমাত্ৰা কৃত্ৰিম পোহৰে মানুহৰ টোপনিৰ ওপৰতো বেয়া প্ৰভাৱ পেলায়। অৰ্থাৎ আধুনিকতাৰ নামত আমি নিজৰেই ক্ষতি কৰি আছো।

আজিৰ শিশুসকলৰ শৈশৱ আগৰ দৰে নহয়। আগতে গাঁৱৰ শিশুৱে জোনাক নিশাত লুকাভাকু খেলিছিল, তৰা চাই কাহিনী শুনিছিল। এতিয়া চহৰৰ শিশুৱে অধিকাংশ সময় ম'বাইল, টিভি অথবা ভিডিঅ' গেমত কটায়। তেওঁলোকৰ বাবে আকাশ এখন বাস্তৱ অনুভৱ নহয়, বৰঞ্চ পাঠ্যপুথিৰ ছবি। এই পৰিৱৰ্তন কেৱল জীৱনধাৰাৰ পৰিৱৰ্তন নহয়, ই মানসিক জগতৰো এক নিঃশব্দ পৰিৱৰ্তন।

চহৰৰ পোহৰে আকাশ ঢাকি দিয়াৰ দৰে, আধুনিক জীৱনে মানুহৰ আবেগো ঢাকি পেলাইছে। আগতে মানুহে নিশা অলপ সময় নিঃশব্দে আকাশ চাই নিজৰ মনৰ সৈতে কথা পাতিছিল। এতিয়া সেই নিঃশব্দ সময়খিনিও নাই। মানুহৰ কাষত অসংখ্য মানুহ আছে; কিন্তু মন খুলি কথা পাতিবলৈ মানুহ নাই। চহৰৰ উজ্জ্বল পোহৰৰ মাজতো বহু মানুহ ভিতৰি ভিতৰি অন্ধকাৰত ডুবি থাকে। বাহিৰত আলোকিত জীৱন, ভিতৰত নিঃসংগতা— এয়াই যেন আধুনিক চহৰৰ বাস্তৱ ছবি।

কেতিয়াবা ভাবিলে মনত প্ৰশ্ন জাগে আমি আচলতে কি হেৰুৱাইছো? কেৱল তৰাবোৰ নে নিজৰ মনৰ শান্তিটোও? উন্নয়ন নিশ্চয় প্ৰয়োজনীয়, কিন্তু সেই উন্নয়নৰ নামত যদি মানুহে প্ৰকৃতিৰ সৈতে থকা সম্পৰ্কটো সম্পূৰ্ণ হেৰুৱাই পেলায়, তেন্তে সেই উন্নয়ন কিমান মূল্যৱান? আকাশখন কেৱল ওপৰৰ নীলা বিস্তাৰ নহয়, ই মানুহৰ কল্পনা, আশা, সপোন আৰু স্বাধীনতাৰ প্ৰতীক।

গাঁৱৰ কোনো এখন নিৰ্জন ঠাইত এতিয়াও ৰাতি হ'লে আকাশখন স্পষ্টকৈ দেখা যায়। অসংখ্য তৰাৰে ভৰা সেই আকাশ চাই মনত এক অদ্ভুত শান্তি অনুভৱ হয়। তেতিয়া বুজা যায়, প্ৰকৃতিৰ সঁচা সৌন্দৰ্য কৃত্ৰিম পোহৰত নহয়, সৰলতাত আছে; কিন্তু চহৰৰ মানুহে সেই অনুভৱ ধীৰে ধীৰে পাহৰি গৈছে। তেওঁলোকে আকাশৰ সলনি বিল্ডিং চায়, তৰাৰ সলনি ম'বাইলৰ নোটিফিকেশ্যন চায়।

আজিৰ যুগত আমি প্ৰযুক্তিৰে বহু দূৰ আগবাঢ়িছো; কিন্তু হয়তো অনুভৱৰ ক্ষেত্ৰত পিছ পৰি গৈছো। মানুহে মহাকাশলৈ যাত্ৰা কৰিছে; কিন্তু নিজৰ আকাশখন চাবলৈ সময় নাই। চহৰৰ পোহৰে আকাশ ঢাকি দিয়াৰ দৰে, মানুহৰ ব্যস্ততাই মানুহৰ মনটোও ঢাকি পেলাইছে।

সেই বাবে আজিৰ সময়ত আকাশ বচাই ৰখাটো কেৱল বিজ্ঞান অথবা পৰিৱেশৰ বিষয় নহয়, ই মানুহৰ অনুভৱ বচাই ৰখাৰ বিষয়। আমি যদি অলপ সময়ৰ বাবে হ'লেও ম'বাইল আঁতৰাই আকাশলৈ চাওঁ, হয়তো পুনৰ অনুভৱ কৰিব পাৰিম সেই হেৰাই যোৱা শান্তি। হয়তো তৰাবোৰ এতিয়াও আছে, কেৱল আমাৰ চকুতেই পোহৰৰ আৱৰণ পৰি আছে।

চহৰৰ পোহৰৰ মাজত আকাশ হয়তো সম্পূৰ্ণ হেৰাই যোৱা নাই; কিন্তু মানুহৰ দৃষ্টিৰ পৰা আঁতৰি গৈছে আৰু যিদিনা মানুহে পুনৰ আকাশলৈ চাবলৈ শিকিব, সিদিনা হয়তো তেওঁলোকে নিজৰ ভিতৰৰ হেৰাই যোৱা অংশটোও পুনৰ বিচাৰি পাব।

চহৰৰ ব্যস্ত পথবোৰত প্ৰতিদিনে হাজাৰ হাজাৰ মানুহে খোজ কাঢ়ে। কাৰোবাৰ চকুত সফলতাৰ সপোন, কাৰোবাৰ মনত অজস্ৰ চিন্তা, কাৰোবাৰ বুকুত নীৰৱ দুখ; কিন্তু এই অসংখ্য মুখৰ মাজতো খুব কম মানুহেই আকাশলৈ চাই থমকি ৰয়। যেন ওপৰৰ সেই বিশাল নীলা বিস্তাৰখনৰ সৈতে মানুহৰ সম্পৰ্কটো ধীৰে ধীৰে ছিঙি গৈছে। কংক্ৰিটৰ অট্টালিকাবোৰ দিনে দিনে ওখ হৈ গৈছে, কিন্তু মানুহৰ মনবোৰ সৰু হৈ আহিছে।

এসময়ত সন্ধিয়া নামিলেই মানুহে ঘৰলৈ উভতি আহি অলপ শান্তি বিচাৰিছিল। এতিয়া চহৰত ৰাতি মানেই আন এক ব্যস্ততা। দোকান, বজাৰ, অফিচ, গাড়ীৰ শব্দ, উজ্জ্বল পোহৰ-সকলো যেন এক অন্তহীন দৌৰ। এই দৌৰত মানুহে টকা পাইছে, আৰাম পাইছে, আধুনিক জীৱন পাইছে; কিন্তু বিনিময়ত হেৰুৱাইছে এক সহজ আনন্দ-আকাশ চাই থকাৰ আনন্দ।

বৰষুণৰ আগমুহূৰ্তত ডাৱৰে ঢাকি ধৰা আকাশ, পূৰ্ণিমাৰ জোনৰ কোমল পোহৰ, জোনাক নিশাৰ নীৰৱতা— এই অনুভৱবোৰ এতিয়া চহৰত বহুত কম দেখা যায়। কৃত্ৰিম পোহৰৰ উজ্জ্বলতাই যেন প্ৰকৃতিৰ সৌন্দৰ্যক ম্লান কৰি পেলাইছে। কেতিয়াবা ৰাতি চহৰৰ ওপৰত চাই থাকিলে মনত হয়, আকাশখন আছে ঠিকেই, কিন্তু তাক অনুভৱ কৰিব পৰা মনবোৰহে হেৰাই গৈছে।

আধুনিক জীৱনে মানুহক যিমান ওচৰ আনিছে, সিমানেই দূৰো কৰিছে। আগতে একেলগে বহি মানুহে আকাশ চাই কথা পাতিছিল, নিজৰ দুখ-সুখ ভাগ কৰিছিল। এতিয়া একে ঘৰত বহি থাকিও মানুহে ম'বাইলৰ স্ক্ৰীনত ব্যস্ত। কথোপকথনৰ সলনি 'অনলাইন' উপস্থিতি বৃদ্ধি পাইছে। এই নিঃশব্দ দূৰত্বৰ ফলত মানুহে ধীৰে ধীৰে প্ৰকৃতিৰ লগতে নিজৰ অনুভৱৰ পৰাও আঁতৰি গৈছে।

চহৰৰ শিশুসকলৰ জীৱনো আজিৰ দিনত বহুত বেলেগ। তেওঁলোকৰ শৈশৱ কংক্ৰিটৰ ফ্লেট, টিউচন, মোবাইল গেম আৰু ইণ্টাৰনেটৰ মাজতেই সীমাবদ্ধ হৈ পৰিছে। জোনাক নিশাত দৌৰি ফুৰা, তৰা গনি সপোন দেখা, ডাৱৰৰ আকৃতি চিনাক্ত কৰা— এই সৰু সৰু আনন্দবোৰ এতিয়া কাহিনীৰ দৰে লাগিছে। হয়তো ভৱিষ্যতৰ বহু শিশুৱে বাস্তৱ আকাশতকৈ ম'বাইলৰ ৱালপেপাৰত তৰা বেছি দেখিব।

কিন্তু আকাশৰ এটা বিশেষ গুণ আছে- মানুহে যিমানেই পাহৰিবলৈ চেষ্টা নকৰক কিয়, আকাশে মানুহক কেতিয়াবা আকৌ মাতি আনে। বহুত ব্যস্ততাৰ মাজতো কোনোবাই হঠাতে পূৰ্ণিমাৰ জোন দেখি থমকি ৰয়, কোনোবাই বৰষুণৰ আগৰ ডাৱৰ দেখি স্মৃতিত হেৰাই যায়। সেই মুহূৰ্তবোৰত বুজা যায় যে মানুহৰ ভিতৰত এতিয়াও প্ৰকৃতিৰ বাবে অলপ ঠাই বাকী আছে।

সম্ভৱত সেইবাবেই গাঁৱৰ আকাশ এতিয়াও ইমান আপন লাগে। তাত পোহৰ কম, কিন্তু শান্তি বেছি। তাত কৃত্ৰিম উজ্জ্বলতা নাই, কিন্তু অনুভৱৰ গভীৰতা আছে। চহৰৰ মানুহে হয়তো সকলো সুবিধা পাইছে; কিন্তু সেই শান্ত আকাশখনৰ তলত বহি নিজকে অনুভৱ কৰাৰ সুযোগটো হেৰুৱাইছে।

জীৱনত কেতিয়াবা আকাশলৈ চাই থকাটোও প্ৰয়োজন। কাৰণ আকাশে মানুহক নম্ৰতা শিকায়। ই বুজাই দিয়ে যে মানুহ যিমানেই ডাঙৰ নহওক কিয়, এই বিশাল বিশ্বব্ৰহ্মাণ্ডৰ আগত তেওঁ অতি সৰু। আকাশে সপোন দেখিবলৈ শিকায় আৰু অন্ধকাৰৰ মাজতো পোহৰৰ আশা দিব জানে।

সেইকাৰণে হয়তো আজিও কোনো কোনো মানুহে গভীৰ ৰাতি চুপচাপ আকাশলৈ চাই থাকে। তেওঁলোকে হয়তো তৰা নেদেখে; কিন্তু নিজৰ হেৰাই যোৱা অনুভৱবোৰ বিচাৰি ফুৰে আৰু সেই সন্ধানেই হয়তো মানুহক পুনৰ প্ৰকৃতিৰ ওচৰলৈ ঘূৰাই আনিব। ■



# লিলিপুট আৰু ব্লেফুস্কুৰ কিছু কথা

মুন ৰাজবংশী

লিলিপুট আৰু ব্লেফুস্কু হৈছে দুটা কাল্পনিক দ্বীপ জাতি যি ১৭২৬ চনৰ জনাথন ছুইফটৰ উপন্যাস গুলিভাৰছ ট্ৰেভেলছৰ প্ৰথম অংশত দেখা যায়। এই দ্বীপ দুটা দক্ষিণ ভাৰত মহাসাগৰৰ চুবুৰীয়া, ৮০০ গজ (৭৩০ মিঃ) বহল এটা চেনেলৰ দ্বাৰা পৃথক। দুয়োখনতে সাধাৰণ মানুহৰ উচ্চতাৰ প্ৰায় দ্বাদশ ভাগৰ ক্ষুদ্ৰ ক্ষুদ্ৰ লোকে বাস কৰে। দুয়োটা সাম্ৰাজ্য, অৰ্থাৎ এজন সম্ৰাটে শাসিত ৰাজ্য। লিলিপুটৰ ৰাজধানী হৈছে মিলডেণ্ডো। কিছুমান ছবিত দ্বীপবোৰ কণীৰ দৰে সজোৱা হৈছে। ইয়াঁতৰ কণী ইতিহাস আৰু সংস্কৃতিৰ উল্লেখ প্ৰধান।

১৭২৮ চনত জন আৰ্বুথনতে লিলিপুটৰ সাম্ৰাজ্যত শিক্ষণৰ অৱস্থান বিৱৰণী লিখিছিল। লিলিপুট কেইবাখনো ক্ষুদ্ৰ ৰাজ্যৰ মাজত বিভক্ত হৈছিল। ব্লেফুস্কুৰ প্ৰথম সম্ৰাটে লিলিপুটক আক্ৰমণ কৰি বশ কৰে যদিও পিছলৈ লিলিপুটিয়ানসকলে স্বাধীনতা লাভ কৰি নিজৰ সম্ৰাট স্থাপন কৰে। ১৯০০ চনৰ আৰম্ভণিতে ছিগমাণ্ড ফ্ৰয়েডে উদ্ভাৱন কৰা এটা শব্দ যিটোৱে কণী ভাঙিবলৈ সৰ্বোত্তম শেষ সেই বিষয়ে মতানৈক্যৰ পিছত আৰম্ভ হোৱা দীঘলীয়া আৰু দুষ্ট যুদ্ধখন সৰু সৰু পাৰ্থক্যৰ নাৰ্চিছিজমৰ উদাহৰণ বুলি আঙুলিয়াই দিয়া হৈছে। ১৯৪৬ চনত টি এইচ হোৱাইটে লিখিছিল মিষ্ট্ৰেছ মেশ্বামৰ ৰিপ'জ, য'ত এগৰাকী ছোৱালী মাৰিয়াৰ দুঃসাহসিক অভিযানৰ বৰ্ণনা কৰা হৈছে। যিয়ে নৰ্থাম্পটনশ্বাইৰৰ এটা ধ্বংসস্তূপৰ বাগিচাৰ হ্ৰদত থকা এটা সৰু পাহৰি যোৱা দ্বীপত লিলিপুটিয়ানৰ এটা দল আৱিষ্কাৰ কৰে। ১৯৫৮ চনত হেনৰী উইণ্টাৰফেল্ডৰ লিলিপুটৰ কাষ্টৱেজ ইন লিলিপুটৰ ছিকুৱেল শিশু উপন্যাসৰ পৰিৱেশ হৈছে আধুনিকীকৃত লিলিপুট। মিলডেণ্ডোৰ উপৰি অন্যান্য চহৰসমূহৰ ভিতৰত পিপ্লছ এখন প্ৰধান চহৰ আৰু কেথেড্ৰেল চহৰ। উইগিৰাক টটেনহ্যাম আৰু এলেনবেক উইণ্টাৰফেল্ডে লিলিপুটিয়ান ইতিহাসৰ অধিক বিৱৰণো আগবঢ়াইছে। গুলিভাৰৰ সময়ৰ সম্ৰাট মুলিউলিগুৱে ১৬৫৭-১৭৪৬ চনত ৰাজত্ব কৰিছিল বুলি কোৱা হয়। (এইটো ছুইফটৰ বিৱৰণীৰ বিপৰীত, য'ত সম্ৰাটৰ বয়স মাত্ৰ ২৮ বছৰ আৰু ১৬৯৯ চনত গুলিভাৰ আহি পোৱাৰ সময়ত প্ৰায় সাত বছৰ ৰাজত্ব কৰিছিল। মুদ্ৰা ব্যৱস্থাটোও আপাত দৃষ্টিত সলনি কৰা হৈছে, যিটো দহ ডাইমেলিং বা ১০০ বিমৰ সমান। ছুইফটে লিলিপুটিয়ান শব্দ আৰু বাক্যাংশৰ কেইবাটাও উপস্থাপন কৰিছে আৰু কয় যে লিলিপুট আৰু ব্লেফুস্কুৰ চৰকাৰী ভাষাৰ মাজত সাধাৰণ ইউৰোপিয়ান ভাষাৰ সমানেই দূৰত্ব আছে। আৰ্বুথনটে ব্যাখ্যা কৰে যে ব্লেফুস্কুৰ প্ৰথমে নিজা ভাষা আৰু বিস্তৃত সাহিত্য আছিল, কিন্তু যি সময়ছোৱাত ই লিলিপুট দখল কৰিছিল সেই সময়ছোৱাৰ সংস্পৰ্শৰ ফলত ব্লেফুস্কুডিয়ান ভাষাৰ বহু পৰিৱৰ্তন ঘটিছিল।

ব্লেফুস্কুডিয়ান পণ্ডিতৰ পুৰণি ভাষা হৈয়েই থাকিল। ১৭৩৫ চনৰ গুলিভাৰৰ এই গ্ৰন্থখনৰ এটা বিৰল কপি ঃ এ জেনেৰেল ডিচক্ৰিপচন অব্ দ্য এম্পায়াৰ অব্ লিলিপুট, ইয়াৰ প্ৰথম ইৰেকচনৰ পৰা এটা দীঘলীয়া ছিৰিজ অব্ প্ৰিন্সৰ মাজেৰে; তেখেতৰ যুদ্ধ আৰু ৰাজনীতি, আইন, শিক্ষণ আৰু ধৰ্ম, তেওঁলোকৰ উদ্ভিদ আৰু প্ৰাণী, তেওঁলোকৰ অদ্ভুত আচাৰ-ব্যৱহাৰ আৰু ৰীতি-নীতি, অন্যান্য অতি কৌতূহলী আৰু উপযোগী বিষয়ৰ লগত এটা বিশেষ বিৱৰণৰ সৈতে, যাৰ লগত তেওঁলোকৰ ভাষাৰ এটা চমু শব্দভাণ্ডাৰ যোগ কৰা হৈছে। মিলডেণ্ডোৰ সম্ৰাটৰ ৰাজপ্ৰসাদ ভ্ৰমণৰ পিছত লিলিপুটৰ ব্যক্তিগত পৰিক্ৰমাৰ প্ৰধান সচিব ৰেলড্ৰেছলে গুলিভাৰলৈ যায় আৰু হাই হিল পাৰ্টি আৰু ল' হিল পাৰ্টিৰ মাজত হোৱা দলীয় কাজিয়াৰ ব্যাখ্যা কৰে। তেওঁ কয় যে সংঘাতৰ আৰম্ভণি হৈছিল এটা ধৰ্মীয় প্ৰশ্নৰ ওপৰত ঃ কোনটো মূৰত বিশ্বাসীসকলে কণী ভাঙিব, ডাঙৰ মূৰত নে সৰু মূৰত?

ৰেলড্ৰেছলে কয় যে লিলিপুটত বিদ্ৰোহ আছে, ৰাজকীয় আদেশ অনুসৰি সেয়ে লিলিপুটিয়ানসকলে সৰু মূৰত কণী ভাঙিব লাগিব। ইতিমধ্যে ইয়াৰে ১১০০০ বিগ ইণ্ডিয়ান হত্যা কৰা হৈছে, আন কিছুমানে ব্লেফুস্কুৰ দৰবাৰলৈ পলায়ন কৰিছে। তেওঁ আৰু বুজাইছে যে, লিলিপুটিয়ানসকলে যুদ্ধত ৪০ খন জাহাজ হেৰুৱাইছে। এই দ্বিধাদ্বন্দটো যেন আশাহীন, কাৰণ তেওঁলোকৰ ধৰ্মৰ ভাববাদী লুষ্ট্ৰগে কৈছে; 'সকলো প্ৰকৃত বিশ্বাসীয়ে সুবিধাজনক মূৰত নিজৰ কণী ভাঙিব। ছুইফটে ধৰ্মীয় যুদ্ধক উপহাস কৰিবলৈও গুলিভাৰৰ মেটাৰ অব্ ফেক্ট সুৰ ব্যৱহাৰ কৰে। ৰাজনৈতিকভাৱে ব্লেফুস্কুৰ অৰ্থ হ'ল... ফ্ৰান্স আৰু লিলিপুটৰ অৰ্থ হ'ল... ইংলেণ্ড। কণী ভাঙাৰ ধৰ্মীয় প্ৰশ্নটোক লৈ দুয়োৰে মাজত হোৱা যুদ্ধই কেথলিক ফ্ৰান্স আৰু প্ৰটেষ্টেণ্ট ইংলেণ্ডৰ মাজত হোৱা দীঘলীয়া যুদ্ধৰ প্ৰতীক। কণী ভাঙি যোৱাটোৱেই হয়তো ছেক্ৰেমেণ্টৰ প্ৰকৃতিৰ ওপৰত হোৱা কাজিয়াক বুজাব পাৰে আৰু ইয়াৰ দ্বাৰা কেথলিক আৰু এংলিকান গিৰ্জাৰ কমিউনিয়নৰ পাৰ্থক্যও বুজোৱাটো সম্ভৱ।

বৰ্তমানৰ সম্ৰাটৰ দাদাই কণী ভাঙি আঙুলি কাটি লোৱাৰ উল্লেখ অষ্টম হেনৰীৰ। পোপৰ কৰ্তৃত্বৰ প্ৰশ্নটোৰ বাবে আৰু এন্নে বলেনৰ বিষয়টোকো লৈ হেনৰীয়ে ৰোমৰ সৈতে বিচ্ছেদ ঘটায়। সেয়েহে বিগ এণ্ডিয়ানসকল কেথলিক আৰু লিটিল এণ্ডিয়ানসকল প্ৰটেষ্টেণ্ট। প্ৰাণ হেৰুওৱা প্ৰথমজন সম্ৰাট হৈছে চাৰ্লছ। চাৰ্চে আৰ্চবিশ্বপ লাউডক সমৰ্থন কৰিছিল। মুকুট হেৰুৱাই পেলোৱা সম্ৰাটজন হৈছে দ্বিতীয় জেমছ। যিয়ে ৰোমান গিৰ্জাৰ কিছুমান অধিকাৰ পুনৰ ঘূৰাই আনিবলৈ চেষ্টা কৰিছিল। তেওঁ ৰোমান কেথলিক বিষয়াৰ স'তে থিয় হৈ সেনাবাহিনীৰ গঠনৰ চেষ্টাও কৰিছিল। ফলস্বৰূপে ১৬৮৮ চনত তেওঁক ইংলেণ্ডৰ পৰা খেদি পঠিওৱা হয়। ছুইফটে লিলিপুট আৰু ব্লেফুস্কুৰ মাজত হোৱা ধৰ্মীয় যুদ্ধৰ মূৰ্খামিক ইউৰোপৰ তাৎক্ষণিক ৰাজনীতিৰ স'তেও সম্পৰ্কিত কৰিছিল। লিলিপুটিয়ান দল দুটা ইংৰাজী ৰাজনৈতিক দলৰ বাবে থিয় দিছে। হাই হিলসকলে ট'ৰীসকলক প্ৰতিনিধিত্ব কৰে, ল' হিলছ হুইগছ। ৰজাই হুইগসকলৰ প্ৰতি সহানুভূতিশীল আছিল। তেওঁ ফ্ৰান্সৰ বিৰুদ্ধে হানোভাৰক সমৰ্থন কৰিবলৈ তেওঁলোকক ব্যৱহাৰ কৰিছিল আৰু হাউছ অব্ লৰ্ডছৰ বিৰুদ্ধে নিজৰ স্থিতি শক্তিশালী কৰিবলৈ তেওঁলোকক চৰকাৰী পদত নিযুক্তি দিছিল। এইদৰে লিলিপুটিয়ান সম্ৰাট হিচাপে তেওঁ ল' হিল পিন্ধে। ■



চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# শিশু সাহিত্যত কল্পনা-বাস্তৱতা

সাহিত্যই কল্পনাৰ জগতক শক্তিশালী কৰি তোলে। যাদুকৰী পাখিৰ কাহিনী, কথা কোৱা জন্তুৰ গল্প বা সপোনৰ দেশৰ ৰাজকুমাৰৰ অভিযানৰ কথাই শিশুৰ মনত নতুন চিন্তাৰ উদ্ৰেক কৰে। এনে গল্পই তেওঁলোকৰ সৃষ্টিশীলতাক জাগ্ৰত কৰে, কৌতূহলক উদ্দীপিত কৰে। উদাহৰণস্বৰূপে, এটা যাদুকৰী চৰাইৰ কাহিনীয়ে শিশুক সাহসী হ'বলৈ প্ৰেৰণা দিব পাৰে, তেওঁলোকৰ ভয় নাশ কৰাত সহায় কৰিব পাৰে। আচলতে কল্পনাৰ জগতত বিচৰণ কৰি শিশুৱে মানসিক চাপৰ পৰা মুক্তি পায় আৰু তেওঁলোকৰ মনত আনন্দৰ সোঁত ব'বলৈ ধৰে। শিশু সাহিত্যত কল্পনাক বিভিন্ন ৰূপত প্ৰকাশ কৰা হয়। কেতিয়াবা অলৌকিক কাহিনীৰে যাদুকৰী ৰূপত, য'ত দৈত্য, পৰী বা যাদুকৰে শিশুৰ মন মোহিত কৰে। কেতিয়াবা জন্তুৰ মানৱীয়কৰণ, য'ত হাতী, শিয়াল বা কাউৰীয়ে মানুহৰ দৰে কথা কয় আৰু অনুভৱ প্ৰকাশ কৰে। আকৌ কেতিয়াবা পৌৰাণিক উপাদানৰ মাধ্যমেৰে দেৱ-দেৱীৰ কাহিনীৰ দ্বাৰা শিশুৰ মনত ৰহস্যৰ সৃষ্টি কৰে। কল্পবিজ্ঞানৰ গল্পৰ দ্বাৰাও ভৱিষ্যতৰ জগত বা এলিয়েনৰ কথাৰে শিশুক কৌতূহলী কৰে। অসমীয়া শিশু সাহিত্যতো কল্পনাৰ সুন্দৰ প্ৰকাশ দেখা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথাত জন্তুৰ মানৱীয় আচৰণৰ মাধ্যমেৰে জীৱনৰ শিক্ষা দিয়া হৈছে, আনহাতে নৱকান্ত বৰুৱাৰ 'টিপটিপ বৃষ্টি' কবিতাত এজাক বৰষুণৰ মাজত পোৱা অভিজ্ঞতা আৰু সুন্দৰভাৱে প্ৰকাশ কৰা অনুভূতিয়ে শিশুৰ মনত গভীৰ চাপ পেলায়।

কল্পনাৰ দৰেই বাস্তৱতাও শিশু সাহিত্যৰ এক অপৰিহাৰ্য অংশ। বাস্তৱধৰ্মী গল্পই শিশুক তেওঁলোকৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰে। যেতিয়া শিশুৱে সাহিত্যত নিজৰ বিদ্যালয়ৰ কথা, পৰিয়ালৰ সম্পৰ্ক বা দৈনন্দিন সমস্যাৰ কথা পঢ়ে, তেতিয়া তেওঁলোকে সেই সাহিত্যত নিজৰ জীৱন প্ৰতিফলিত হোৱা দেখা পায়। এনে সাহিত্যই তেওঁলোকক আনন্দৰ লগতে সততা, সহযোগিতা, পৰিশ্ৰম আদি নৈতিক মূল্যবোধৰ শিক্ষা দিয়ে। উদাহৰণস্বৰূপে, হেম বৰুৱাৰ 'দুখীয়া শ্ৰীকান্ত'ৰ দৰে গল্পই শিশুক পৰিশ্ৰমৰ মূল্য আৰু সংগ্ৰামৰ গুৰুত্ব সম্পৰ্কে শিক্ষা প্ৰদান কৰে। বাস্তৱধৰ্মী সাহিত্যই শিশুক সমাজৰ বিভিন্ন সমস্যা, যেনে—দৰিদ্ৰতা, পৰিৱেশৰ ক্ষতি বা অসমতাৰ বিষয়ে সচেতন কৰে। এনে সাহিত্যই তেওঁলোকৰ বিচাৰশক্তি, দায়িত্ববোধ আৰু আত্মবিশ্বাস গঢ়ি তোলে আৰু জীৱনৰ বাবে গুৰুত্বপূৰ্ণ শিক্ষা গ্ৰহণ কৰে।

শিশু সাহিত্যৰ শ্ৰেষ্ঠত্ব তেতিয়া প্ৰকাশ পায়, যেতিয়া কল্পনা আৰু বাস্তৱতাৰ সুমধুৰ মিশ্ৰণত এক আকৰ্ষণীয় কাহিনীৰ প্ৰকাশ ঘটে। কল্পনা শক্তিয়ে শিশুৰ মনত মায়াজালৰ সৃষ্টি কৰে, তেওঁলোকৰ কৌতূহল উদ্ৰেক কৰে আৰু বাস্তৱতাই তেওঁলোকক জীৱনৰ ব্যৱহাৰিক দিশৰ সৈতে পৰিচয় কৰাই দিয়ে। এই দুয়োটা উপাদানৰ সংমিশ্ৰণে শিশুৰ মানসিক বিকাশত গভীৰ প্ৰভাৱ পেলায়। এটা কল্পিত গল্পৰ যাদুকৰী পেন্সিলৰ কাহিনীয়ে শিশুক মোহিত কৰিব পাৰে; কিন্তু যদি তাৰ মাজত বাস্তৱৰ শিক্ষা, যেনে— পৰিশ্ৰমৰ গুৰুত্বৰ কথা থাকে, তেতিয়া সেই গল্পই শিশুৰ মনত স্থায়ী চাপ পেলাব পাৰে। উদাহৰণস্বৰূপে, যদি এটা গল্পৰ কাহিনীত এগৰাকী ছোৱালীয়ে এডাল যাদুকৰী পেন্সিল লাভ কৰে, যাৰ সহায়ত তেওঁ যি আঁকে, সেয়াই জীৱন্ত হৈ উঠে, তেতিয়া ছোৱালীজনীয়ে সহজলভ্য বাসনাৰে নিজৰ বাবে বিদ্যালয়, বন্ধু আৰু শিক্ষকৰ ছবি আঁকে আৰু সন্তুষ্টি লাভ কৰে; কিন্তু গল্পটোৰ শেষৰ ফালৰ কাহিনীত যেতিয়া ছোৱালীজনীয়ে অনুভৱ কৰে যে বাস্তৱ জীৱনত সফলতাৰ বাবে পৰিশ্ৰম আৰু সংগ্ৰামৰহে প্ৰয়োজন তেতিয়া এই গল্পৰ জৰিয়তে কল্পনাৰ যাদুকৰী উপাদান আৰু বাস্তৱৰ শিক্ষা এই দুয়ো দিশতেই শিশু প্ৰভাৱিত হয়। এনে গল্পই শিশুক সপোন দেখিবলৈ শিক্ষা দিয়াৰ উপৰি একে সময়তে সেই সপোন বাস্তৱায়িত কৰাৰ পথৰো সন্ধান দিয়ে।

অসমীয়া শিশু সাহিত্যৰ ইতিহাস সমৃদ্ধ আৰু বৈচিত্ৰ্যময়। লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথাৰ পৰা আৰম্ভ কৰি নৱকান্ত বৰুৱাৰ কবিতা, হেমচন্দ্ৰ বৰুৱা, ভবেন্দ্ৰ নাথ শইকীয়া, গগন চন্দ্ৰ অধিকাৰী, অতুল চন্দ্ৰ হাজৰিকা বা নলিনীবালা দেৱীৰ ৰচনা— প্ৰত্যেকৰে সৃষ্টিত কল্পনা আৰু বাস্তৱতাৰ সুন্দৰ মিলন পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'কুকুৰা আৰু শিয়াল'ৰ দৰে গল্পত জন্তুৰ মানৱীয় আচৰণৰ মাধ্যমেৰে নৈতিক শিক্ষা দিয়া হৈছে, য'ত কল্পনা আৰু বাস্তৱৰ মিলন ঘটিছে। নৱকান্ত বৰুৱাৰ 'টিপটিপ বৃষ্টি' কবিতাত প্ৰকৃতিৰ কল্পনাময় বৰ্ণনাৰ সৈতে শিশুৰ দৈনন্দিন অভিজ্ঞতাৰ সংযোগ ঘটোৱা হৈছে। হেমচন্দ্ৰ বৰুৱাৰ গল্পত গাঁৱলীয়া জীৱনৰ সাধাৰণ ঘটনাৰ মাধ্যমেৰে শিশুক সামাজিক মূল্যবোধৰ শিক্ষা দিয়া হৈছে। আধুনিক যুগত ডিজিটেল মাধ্যম, এনিমেচন আৰু ই-বুকৰ জৰিয়তেও অসমীয়া শিশু সাহিত্যই কল্পনা আৰু বাস্তৱতাৰ নতুন ৰূপ লাভ কৰিছে। এনিমেটেড ভিডিঅ'ত কল্পনাৰ জগত জীৱন্ত হৈ উঠে আৰু ই-বুকত বাস্তৱৰ শিক্ষাৰ সৈতে সংযোগ ঘটে, যাৰ বাবে শিশু অত্যধিক আকৰ্ষিত হয়।

কল্পনা আৰু বাস্তৱতাৰ এই মিলনে শিশুৰ মানসিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কল্পনাপ্ৰসূত গল্পই শিশুৰ মনৰ সীমা ভাঙি নতুন সম্ভাৱনাৰ সন্ধান দিয়ে। ই তেওঁলোকৰ সৃষ্টিশীলতাক জাগ্ৰত কৰে, জ্ঞানৰ প্ৰতি কৌতূহল জগায়। অলৌকিক কাহিনীৰ মাধ্যমেৰে শিশুৱে নিজৰ মনত মুক্তভাৱে চিন্তা কৰিবলৈ শিকে। আনহাতে, বাস্তৱধৰ্মী গল্পই শিশুক সৎ আৰু দায়িত্বশীল নাগৰিক হ'বলৈ শিকায়। ই তেওঁলোকক সমাজৰ সমস্যা, পৰিৱেশৰ গুৰুত্ব বা পৰিয়ালৰ সম্পৰ্কৰ বিষয়ে সচেতন কৰে। বাস্তৱৰ পটভূমিত ৰচিত গল্পই শিশুক সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু আত্মবিশ্বাস প্ৰদান কৰে। এই দুয়োটা উপাদানৰ সমন্বয়ে শিশুক এজন সম্পূৰ্ণ ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ সহায় কৰে। আজিৰ জটিল আৰু প্ৰতিযোগিতামূলক বিশ্বত শিশু সাহিত্যৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। শিশুৰ মন অত্যন্ত কোমল; কিন্তু তেওঁলোকৰ চাৰিওফালৰ জগতখন জটিলতাৰে ভৰা। এনে পৰিস্থিতিত কাল্পনিক সপোনৰ জৰিয়তে তেওঁলোকৰ চিন্তাশক্তিক উন্নত কৰাৰ লগতে বাস্তৱৰ পাঠৰ মাধ্যমেৰে তেওঁলোকক জীৱনৰ প্ৰত্যাহ্বানৰ বাবে প্ৰস্তুত কৰাৰ প্ৰয়োজন। শিশু সাহিত্যৰ সৃষ্টিকৰ্তা, শিক্ষক, অভিভাৱক আৰু প্ৰকাশকসকলৰ দায়িত্ব হ'ল— এনে সাহিত্যৰ সৃষ্টি আৰু প্ৰচাৰৰ জৰিয়তে শিশুৰ মনোজগতক সমৃদ্ধ কৰা। সাহিত্য হ'ব লাগে শিশুৰ অন্তৰৰ ভাষা, তেওঁলোকৰ মনৰ সপোন আৰু জীৱনৰ পাথেয়।

পৰিশেষত ক'ব পাৰি যে শিশু সাহিত্যত কল্পনা আৰু বাস্তৱতাই একে স্থানৰ পৰা কাম কৰে। কল্পনাই শিশুৰ মনত সপোনৰ ডেউকা লগায় আৰু বাস্তৱতাই তেওঁলোকক জীৱনৰ পথত থিয় দিবলৈ শিক্ষা দিয়ে। এই দুয়োটা উপাদানৰ সুষম মিলনে শিশু সাহিত্যক এক অনন্য শক্তি প্ৰদান কৰে, যি শিশুক মনোৰঞ্জনৰ লগতে জীৱনৰ শিক্ষাও দিয়ে। অসমীয়া শিশু সাহিত্যত এই মিলনৰ সুন্দৰ প্ৰকাশ ঘটিছে আৰু আধুনিক যুগত ডিজিটেল মাধ্যমৰ জৰিয়তে ইয়াৰ পৰিধি অধিক বৃদ্ধি পাইছে। শিশু সাহিত্যই কল্পনাৰ ৰং আৰু বাস্তৱৰ ছাঁৰ মিলনৰ জৰিয়তে শিশুৰ হৃদয়ত জীৱনৰ সপোন আৰু শক্তিৰ বীজ সিঁচে। শিশু সাহিত্যই শিশুক জীৱনৰ প্ৰকৃত অৰ্থৰ জ্ঞান দিয়ে আৰু তেওঁলোকক এক সুন্দৰ আৰু সফল জীৱনৰ পথত আগবঢ়াই লৈ যায়। ■

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

# ৰমেশ চন্দ্ৰ কলিতাৰ

অনূদিত নাটবোৰ মঞ্চায়ন হৈছে। অভিনেতা-অভিনেত্ৰীয়ে অসমীয়াৰ সাজত আৰু ঠাঁচত অভিনয় কৰিছে। দৰ্শকৰ সমাদৰ লভিছে। এয়াই সফলতা, এগৰাকী লেখকক ইয়াতকৈ বেছি লাগে কি ! লেখকৰ বাবে এয়া হৈছে পৰম আশিস নিৰ্মালী, হিয়া ভৰি যোৱা প্ৰসাদ। ৰমেশ চন্দ্ৰ কলিতা মহোদয়েও তেওঁৰ সাহিত্যকৃতিৰ ফলে দিয়া নান্দনিক ৰসপান কৰি জালাময় সংসাৰত সুখ অনুভৱ কৰি স্মৃতিকাতৰ হয়। জীৱন নৈৰ চাকনৈয়াত চুৰ্চুমৈ হ'ব খোজা তেওঁৰ জীৱনটোক নতুনকৈ চাবলৈ বিচাৰে।

মসৃণ পথেৰে আগুৱাই যোৱা লোকে বাস্তৱৰ পৃথিৱীখন কেনেকুৱা সেয়া কেতিয়াও বুজি নাপায়। নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি যোৱা লোকেহে জীৱনৰ কিছুমান বিশেষ বিষয় অনুভৱ আৰু উপলব্ধি কৰিব পাৰে। ৰমেশ চন্দ্ৰ কলিতাই সাংসাৰিক সেই বিশেষ অনুভৱ আৰু উপলব্ধি লাভ কৰিছে ৰোগত পত্নী আৰু জীয়াৰীৰ অসময়ৰ মৃত্যুৰ পাছত। তেওঁ অতি ধৈৰ্যেৰে সেই অসহনীয় সময়বোৰ অতিক্ৰম কৰিছে। মানসিক যন্ত্ৰণাৰ মহাভাৱে প্ৰতিভাশালী লেখকগৰাকীৰ কলমক হয়তো জিৰাবলৈ বাধ্য কৰাইছে! এনে সময়তে প্ৰখ্যাত কবি অজিৎ বৰুৱাৰ মন-মগজুক স্পৰ্শ কৰা এষাৰ অতি চমৎকাৰ আৰু ভাবোদ্দীপক কথা ক'বলৈ মন যায়। সেয়া হৈছে-'যি বোজাই আপোনাৰ কান্ধ ভাঙে আৰু আপুনি মাটিলৈ হাউলি পৰে, তেতিয়া আপুনি কোনো সন্ধি নকৰাকৈ মাতাল হৈ থকা উচিত; কিন্তু কিহেৰে? মদেৰে, কবিতাৰে, নহ'লে নৈতিকভাৱে নাইবা আপোনাৰ ইচ্ছামতে। কিন্তু আপুনি মাতাল হওক। ৰমেশ চন্দ্ৰ কলিতাই আন নহ'লেও অৱশ্যে নৈতিকভাৱে, মানৱীয় প্ৰমূল্য আৰু সামাজিক দায়িত্ববোধেৰে মাতাল হৈ থাকিল।

তেওঁ ৰেডিঅ'ত প্ৰায় শুনিছিল ব্ৰজেন বৰুৱাই পৰিচালনা কৰা 'বৰুৱাৰ সংসাৰ' নামৰ কথাছবিখনৰ এটি অতি জনপ্ৰিয় গীত। দ্বীপেন বৰুৱাই হিয়াক আলোড়িত কৰি গোৱা সেই গীতটো হৈছে—

গা গা আজি গাই যা,
এই গীতকে গা,
যা যা নাচি-নাচি নিজক পাহৰি যা।
আমাৰ জীৱন এই জীৱন,
হাঁহিৰে ভৰা জীৱন
কান্দিনো ভাগৰো কিয়?
নোপোৱাৰ বেদনাকে বেদনা বুলি ক'লে কান্দোনৰ নহ'ব যে ওৰ
পোৱাৰে আনন্দতে নিজকে বিলাই দিলে
হাঁহিৰো যে নপৰে ওৰ।

গীতটো শুনি যেন তেওঁ জীৱনত পোৱা নানা সংঘাত আৰু অবিৰতভাৱে কৰা সংগ্ৰাম পাহৰি বিচাৰি পাইছিল জীৱনৰ প্ৰকৃত সাৰমৰ্ম। আমি হয়তো এইগৰাকী নীৰৱ সাহিত্যিকক চিনি নাপালো; আজিলৈ অলপ সন্মানো দিব নোৱাৰিলো। তথাপি তেওঁৰ ব্যক্তিত্বত মুগ্ধ হওঁ। তেওঁৰ সমাজমুখী চেতনাৰে আৱৰি থকা ব্যক্তিত্বৰ বিষয়ে বন্দনা কৰি পুলকিত হওঁ। সমাজ জীৱনৰ এই বিশিষ্ট লোকগৰাকীৰ বিগত জীৱনৰ সৰাপাত সামৰি অনাগত জীৱন সেউজীয়া হোৱাৰ কামনা কৰিলো।

শ্ৰদ্ধাভাজন ৰমেশ চন্দ্ৰ কলিতাৰ জীৱন-কৰ্মৰ বন্দনাৰে তেওঁৰ গুণত মুগ্ধ, বন্ধুবৰ্গ আৰু আত্মীয় লোকৰ দ্বাৰা লিখিত 'অতন্দ্ৰ অতিৰথী' নামৰ গ্ৰন্থ এখন কিছুদিন আগতে উন্মোচন কৰি পঢ়ুৱৈ ৰাইজলৈ উপহাৰ দিয়া হৈছে। 'অতন্দ্ৰ অতিৰথী'— এক অৰ্থৱহ নাম। অতন্দ্ৰৰ অৰ্থ সজাগ আৰু অতিৰথীৰ অৰ্থ ডাঙৰ যোদ্ধা। জীৱন যুঁজত সদায়েই সজাগ হৈ আগুৱাই গৈ থকা ৰমেশ চন্দ্ৰ কলিতা সঁচা অৰ্থত এগৰাকী ডাঙৰ যোদ্ধা। জীৱনীমূলক এই গ্ৰন্থখনৰ সম্পাদক, শিক্ষাব্ৰতী তথা জনপ্ৰিয় লেখক অবিনাশ কলিতাই 'বিনয় বচন'ত কৈছে-একোখন গ্ৰন্থই যেনিবা একোখন হৃদয়ৰ দুৱাৰ-খিৰিকী খুলি দিয়ে। জীৱন-মননৰ বাংময় বতৰা বিলায়। আকৌ সুখপাঠ্য গ্ৰন্থৰ সৃষ্টিৰ আনন্দও পৰিমাপসাধ্য নহয়। ইয়ে যথাৰ্থতে জীৱনটো উদ্‌যাপন কৰিবলৈ, ইতিবাচক দৃষ্টিৰে চাবলৈ আমাক প্ৰণোদিত কৰে। বুকুত কঢ়িয়াই ফুৰা আমাৰ সপোন-সংকল্পবোৰ উজলি উঠে। অভিনন্দন গ্ৰন্থবোৰো হয়তো সেই আনন্দঘন উদ্দীপনাৰে প্ৰকৃষ্ট বাহক।

'গতিশীলতাই জীৱন, স্থবিৰতাই মৃত্যু' আমাৰ অনুভূতিৰ গভীৰ স্তৰলৈ শিপাই যোৱা হেম বৰুৱাৰ এষাৰি উক্তি মনত পৰিছে। ঠিক বোঁৱতী নৈৰ সমুদ্ৰাভিমুখী যাত্ৰাৰ দৰেই আমাৰো জীৱনৰ গতি— তালে তালে য'ত অনন্ত সোঁতৰ ছন্দ। গতিশীলতাৰ এই চেতনা-অনুভূতিকে আমি লৈ যাব পাৰো ইন্দ্ৰিয় স্তৰৰ পৰা অতীন্দ্ৰিয় স্তৰলৈ। উত্তৰণৰ বাবে লাগে মাথোঁ ইতিবাচক চিন্তা আৰু নিৰ্ণয়। গ্ৰন্থখনত শিক্ষা-সাহিত্য জগতৰ সৈতে দীৰ্ঘকাল জড়িত হৈ থকা লোকসকল ক্ৰমে জয়ন্ত কুমাৰ বৰ্মন, ড° অনন্ত ডেকা, অবিনাশ কলিতা, অণিমা বৰ্মন, মিনতি বৰ্মন, ডাঃ অশ্বিনী কুমাৰ কলিতা, প্ৰভাত চন্দ্ৰ কলিতা, ডালিম দত্ত, অশ্বিনী ডেকা, ভাস্কৰজ্যোতি কলিতা, কুলেন কলিতা, ধ্ৰুৱজ্যোতি ডেকা, বিভা কলিতা, মেঘালী কলিতা, ভণিতা কলিতা, স্বপ্নিল কাশ্যপ, ৰাতুল কলিতা, অনিল কুমাৰ গোস্বামী, নিতু শৰ্মা, ৰমেন কলিতা, মৌচুমী কলিতা, উপেন ডেকা, ড° উপমা বৰ্মন ডেকা আৰু যোগেশ কলিতাই ৰমেশ চন্দ্ৰ কলিতাৰ জীৱন-চৰ্যা অতি আগ্ৰহেৰে নিজা নিজা দৃষ্টিভংগীৰে সাৱলীল আৰু শ্ৰদ্ধাপূৰ্বকভাৱে লিখি গ্ৰন্থখনৰ মান ওপৰলৈ তুলিছে। পুথিখনত ৰমেশ চন্দ্ৰ কলিতাদেৱৰ জীৱনৰ বাখৰুৱা স্মৃতিক ধৰি ৰাখিবলৈ সন্নিৱেশ কৰা ৰঙিন আলোকচিত্ৰবোৰে পুথিখনৰ জেউতি বাৰুকৈয়ে চৰাইছে। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# গুৱাহাটীত মুকলি ‘ব্লুভেলী ক্লাষ্টাৰ’

ক্ষেত্ৰখনত এক নতুন অধ্যায়ৰ সূচনা কৰি যোৱা মঙলবাৰে গুৱাহাটীত মুকলি কৰা হয় ‘ব্লুভেলী ক্লাষ্টাৰ’ শীৰ্ষক এটা প্ৰকল্প। ইউৰোপীয় ইউনিয়ন আৰু অসম চৰকাৰৰ অংশীদাৰিত্বত এই প্ৰকল্প মুকলি কৰা হয়। এই প্ৰকল্পৰ জৰিয়তে অসমৰ প্ৰাকৃতিৰ আৰু পৰম্পৰাগত সম্পদৰাজিক ইউৰোপৰ বজাৰলৈ নিয়াৰ বাট মুকলি হ’ল। ভাৰতত থকা ইউৰোপীয় ইউনিয়নৰ ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিনৰ নেতৃত্বত অহা ইউৰোপীয় ইউনিয়নৰ এটা প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মাজত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ বৈঠকৰ পিছতেই এই অভিলাষী প্ৰকল্পটো মুকলি কৰা হয়। উল্লেখ্য যে এই ‘ব্লুভেলী ক্লাষ্টাৰ’ প্ৰকল্প হৈছে এডভাণ্টেজ আছাম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সুফল।

# হোজাই-নগাঁও জিলাৰ অভিভাৱক

জলসিঞ্চন আদি বিভিন্ন বিভাগৰ গুৰুত্বপূৰ্ণ আঁচনি আৰু কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰী হাজৰীকাই জনসাধাৰণৰ কল্যাণৰ স্বাৰ্থত চৰকাৰী আঁচনিসমূহ আন্তৰিকতা, নিষ্ঠা আৰু দায়বদ্ধতাৰে ৰূপায়ণ নিশ্চিত কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। তেওঁ জিলাখনৰ সকলো চিকিৎসালয় আৰু স্বাস্থ্য প্ৰতিষ্ঠানত সৰ্বোচ্চ পৰ্যায়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ স্বাস্থ্য বিভাগক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। লগতে উন্নয়নমূলক কাম-কাজ অধিক ফলপ্ৰসূভাৱে আগবঢ়াই নিয়াৰ বাবে বিভাগসমূহৰ মাজত সমন্বয় আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত তেঁও গুৰুত্ব আৰোপ কৰে। মন্ত্ৰী হাজৰীকাই কয় যে হোজাই আৰু নগাঁও জিলাৰ সামগ্ৰিক বিকাশ, উন্নয়ন আৰু সমৃদ্ধিৰ ধাৰা অব্যাহত ৰাখিবলৈ সকলো পক্ষই একেলগে কাম কৰিব লাগিব। প্ৰতিখন জিলাকে শক্তিশালী, উন্নত আৰু সমৃদ্ধিশালী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, এইবাৰ কৃষি বিভাগৰ দায়িত্ব লাভ কৰা মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে ৰাজ্যখনৰ বাবে প্ৰয়োজনীয় খাদ্যসামগ্ৰীসমূহ অসমতেই উৎপাদন কৰাৰ ক্ষেত্ৰত সকলো সংশ্লিষ্ট বিভাগে সমন্বিতভাৱে কাম কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰতিটো বিভাগক নিজৰ দায়িত্ব আন্তৰিকতাৰে পালন কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে, পুৱাৰ ভাগত মন্ত্ৰী হাজৰীকাই নগাঁও জিলাৰ কঠিয়াতলীস্থিত নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰে। অসম সৰ্বশিক্ষা অভিযানৰ অধীনত নিৰ্মিত এই নতুন ভৱনটোৱে শিক্ষাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উন্নত শিক্ষণ-অনুকূল পৰিৱেশ সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীৰ জিলা দুখন ভ্ৰমণৰ সময়ত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে দুয়োখন জিলাৰ অন্তৰ্গত বিধায়কসকল আৰু সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে মন্ত্ৰী পীযুষ হাজৰীকাই নগাঁও আৰু হোজাই জিলাৰ উপৰি কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰো অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিছে।

# ব্ৰিটিছ মিউজিয়ামত সংৰক্ষণ হ’ব গুৰু

লৈ ইংলেণ্ডলৈ ৰাওনা হৈ সত্ৰাধিকাৰগৰাকী। যাত্ৰাৰ প্ৰাক্ মুহূৰ্তত অসমৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্তই সত্ৰাধিকাৰগৰাকীৰ পৰা আশীষ গ্ৰহণ কৰে। ইয়াৰ সমান্তৰালকৈ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক মন্ত্ৰীগৰাকীয়ে এখন ফুলাম গামোচা, এখন চেলেং চাদৰেৰে অভিনন্দন জ্ঞাপন কৰে। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক অভিনন্দন জ্ঞাপন কৰি মন্ত্ৰী কেশৱ মহন্তই কয় ইংলেণ্ডৰ দৰে বিশ্বৰ সংসদীয় গণতন্ত্ৰৰ ধ্বজাবাহক ব্ৰিটিছ সংসদত ভাষণ দিয়াৰ বাবে আমন্ত্ৰণ লাভ কৰাটো অতি গৌৰৱৰ বিষয়। তাতোকৈ গৌৰৱৰ বিষয় হৈছে আমাৰ অসমৰ ৰজাঘৰীয়া চাৰি সত্ৰৰ অন্যতম নদী দ্বীপ মাজুলীৰ শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে আমন্ত্ৰণ লাভ কৰাটো। মহন্তই অভিনন্দন জ্ঞাপন কৰি এই বিৰল ক্ষণটিৰ বাবে অহা ১৭ জুনৰ দিনা অসমৰ ৰাইজে অধীৰ আগ্ৰহেৰে বাট চাই ৰ’ব বুলি কয়। ইয়াৰ পিছতে শ্ৰীশ্ৰীআউনীআটী সত্ৰ, উত্তৰ গুৱাহাটী শাখা সত্ৰৰ উন্নয়ন সমিতিৰ  সম্পাদক উৎপল বড়া আৰু সমিতিৰ বিষয়ববীয়া, শ্ৰীশ্ৰীআউনীআটী সত্ৰ বিশ্ববিদ্যালয়ৰ সমন্বয়ক থানেশ্বৰ শৰ্মা আৰু ছাত্ৰ ছাত্ৰীসকল, নামযজ্ঞ সমিতি, বৃহত্তৰ উজান বজাৰ ভাওনা শিল্পী সমাজৰ হৈ উপদেষ্টা বীৰেন্দ্ৰ কুমাৰ বৰ্মন, উপ-সভাপতি জয়শ্ৰী হাজৰিকা, সহকাৰী সম্পাদক বনলতা ডেকাৰজা, উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ হৈ সম্পাদক ৰূপক ডেকা, সহকাৰী সম্পাদক উৎপল তামুলী, সত্ৰৰ ভকত বৈষ্ণৱ, উপস্থিত আয়তীসকলে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ পিছতে সত্ৰৰ মণিকুটৰ বিগ্ৰহত সেৱা গ্ৰহণ কৰি আয়তীসকলৰ উৰুলিৰ ধ্বনি আৰু গায়ন বায়নে গীত-মাতেৰে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক বিদায় জনোৱা হয়। উল্লেখ্য যে ব্ৰিটিছ সাংসদ বব ব্লেকমেন উদ্যোগত অহা ১৭ জুনত ব্ৰিটিছ সংসদ ভৱনৰ ১৫ নং কমিটি কক্ষত সন্ধিয়া ৬ বজাৰ পৰা ৮ বজালৈ ‘অসমৰ বৈষ্ণৱ সংস্কৃতি’ শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হ’ব। তাত শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে ‘অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু বহু সাংস্কৃতিক সমাজত ইয়াৰ প্ৰভাৱ’ বিষয়ত মুখ্য ভাষণ প্ৰদান কৰিব। যাত্ৰাৰ প্ৰাক্ মুহূৰ্তত সত্ৰাধিকাৰগৰাকীয়ে কয় ব্ৰিটিছ সংসদত প্ৰদান কৰিবলগীয়া তেওঁৰ ভাষণত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপুৰুষ মাধৱ দেৱ আৰু মহাপুৰুষ দামোদৰ দেৱৰ অনুপম সৃষ্টিৰাজি আৰু অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে আলোকত কৰা লগতে মহাপৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উদাৰতা আৰু বদান্যতা তুলি ধৰা হ’ব। ড° গোস্বামীয়ে কয় অসম এখন সংস্কৃতিৰে সমৃদ্ধ এখন ৰাজ্য। এই সংস্কৃতিক প্ৰতিনিধিত্ব কৰি আহিছে সত্ৰীয়া সংস্কৃতিৰ মেটমৰা সম্ভাৰেৰে সমৃদ্ধ মাজুলীয়ে। এই সত্ৰীয়া সংস্কৃতিয়ে অসমৰ সমাজ জীৱনত কিদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে সেই বিষয়ে তেওঁৰ ভাষণত তুলি ধৰা হ’ব বুলি কয়। ড° পীতাম্বৰ দেৱ গোস্বামী হ’ল ব্ৰিটিছ সংসদত আধ্যাত্মিক বক্তৃতা প্ৰদান কৰা প্ৰথমগৰাকী অসমৰ সত্ৰীয়া সাধক তথা গৱেষক। সমগ্ৰ অসমৰ ধৰ্মপ্ৰাণ ৰাইজ এই ঐতিহাসিক গৌৰৱময় ক্ষণৰ বাবে উৎফুল্লিত হৈ পৰিছে। সত্ৰাধিকাৰগৰাকীয়ে লাভ কৰা এই সন্মান কেৱল আউনীআটী সত্ৰ বা অসমবাসীৰ বাবে নহয়, সমগ্ৰ বৈষ্ণৱ জগত, মহাপুৰুষীয়া সংস্কৃতি আৰু অসমীয়া জাতিসত্তাৰ আধ্যাত্মিক সাংস্কৃতিক ঐতিহ্যৰ বাবে এক অনন্য যুগান্তকাৰী স্বীকৃতি। সত্ৰাধিকাৰগৰাকীৰ এই বক্তৃতাই বিশ্বমঞ্চত মহাপুৰুষীয়া ধৰ্ম, বৈষ্ণৱ দৰ্শন আৰু নামধৰ্মৰ বিশ্বজনীন মূল্যবোধৰ প্ৰতিধ্বনি ঘটোৱাৰ লগতে এই প্ৰয়াসে অসমৰ আধ্যাত্মিক মহিমা, সাংস্কৃতিক ঐশ্বৰ্য আৰু মানৱ কল্যাণমুখী আদৰ্শক নতুন শিখৰলৈ লৈ যাবলৈ সক্ষম হ’ব। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে বিশ্ববিশ্ৰুত ব্ৰিটিছ সংসদত একশৰণ নামধৰ্মৰ মহৎ বাণী প্ৰচাৰৰ লগতে এই ঐতিহাসিক পদক্ষেপে বিশ্ব সমাজৰ আগত শান্তি, সম্প্ৰীতি, সহনশীলতা, সমতা আৰু ভ্ৰাতৃত্ববোধৰ মহৎ বাণী সবলভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ’ব। সত্ৰাধিকাৰ ড° গোস্বামীয়ে ব্ৰিটিছ মিউজিয়ামত সংৰক্ষণৰ বাবে লগত লৈ গৈছে এখন গুৰু আসন, হেঙুল হাইতাল লগোৱা এখন বিচনি। লণ্ডনৰ ব্ৰিটিছ সংসদৰ বক্তৃতা প্ৰদানৰ এই যাত্ৰাত সত্ৰাধিকাৰ গৰাকীৰ লগত সংগ দিয়ে আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীয়ে।

# কামৰূপ (ম)ৰ বিভিন্ন বিভাগৰ বিষয়াৰে নিউ গুৱাহাটী সমষ্টিৰ বিধায়কৰ  পৰ্যালোচনা




**গুৱাহাটী ঃ** নিউ গুৱাহাটী সমষ্টিৰ বিধায়ক দিপ্লু ৰঞ্জন শৰ্মাৰ অধ্যক্ষতাত যোৱা ৯ জুনত কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিউ গুৱাহাটী সমষ্টিৰ অধীনত থকা বিভিন্ন বিভাগসমূহৰ  কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। গুৱাহাটী পৌৰ নিগম, জল ব’ৰ্ড, জিলা সমাজ কল্যাণ বিষয়া, লোকনিৰ্মাণ বিভাগ, উদ্যোগ আৰু বাণিজ্যিক বিভাগ, জল সম্পদ, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, সমগ্ৰ শিক্ষা মিছন আদি বিভাগসমূহে নিজ নিজ বিভাগৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে। সমান্তৰালভাৱে সংশ্লিষ্ট  বিভাগসমূহৰ কাম-কাজসমূহ পৰ্যালোচনা কৰা হয়। বিধায়কগৰাকীয়ে বিষয়া-কৰ্মচাৰীসকলক নিষ্ঠা আৰু দায়বদ্ধতাৰে জনসেৱাৰ কামত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। এই বৈঠকত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, জিলা আয়ুক্ত স্বপ্নীল পাল, জিলা উন্নয়ন আয়ুক্ত  পাৰিজাত ভূঞা, নিউ গুৱাহাটী সম জিলা আয়ুক্ত  অৰুন্ধতী নৰহ মিপুণ, গুৱাহাটী ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দত্ত, সহকাৰী আয়ুক্ত হেমপ্ৰভা কলিতা, গুৱাহাটী পৌৰ নিগমৰ পাৰিষদসকলৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে।

# ২৪-২৫ অক্টোবৰত চলচ্চিত্ৰম্‌ৰ দশম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ

**গুৱাহাটী ঃ** উত্তৰ-পূব ভাৰতৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান তথা বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচ্চিত্ৰমে্ আয়োজন কৰি অহা চলচ্চিত্ৰম্ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ এই বেলি অহা ২৪ আৰু ২৫ অক্টোবৰত দুদিনীয়াকৈ অনুষ্ঠিত হ’ব। গুৱাহাটীৰ কাহিলিপাৰাৰ জ্যোতি চিত্ৰবনত এই ছবি মহোৎসৱ অনুষ্ঠিত হ’ব বুলি চলচ্চিত্ৰম্‌ৰ সভাপতি নৱ ঠাকুৰীয়া আৰু সম্পাদক ভগবত প্ৰীতমে যোৱা ৯ জুনত এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। উল্লেখ্য যে ২০১৭ৰ পৰা প্ৰতিবছৰে চলচ্ছিত্ৰমে্ ৰাষ্ট্ৰীয় চুটি ছবি মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। প্ৰতিবছৰে কৰি অহাৰ দৰে এইবছৰো এক মিনিটৰ পৰা ২৫ মিনিট দৈৰ্ঘৰ চুটি ছবিৰ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। এই প্ৰতিযোগিতাৰ মূল বিষয় ‘আমাৰ ঐতিহ্য আমাৰ গৌৰৱ’ৰ । বিশ্ব সংবাদ কেন্দ্ৰ অসমৰ সহযোগী অনুষ্ঠান চলিচিত্ৰম্ (www.chalachitram.in)ৰ উদ্যোগত অনুষ্ঠিত এই ৰাষ্ট্ৰীয় ছবি মহোৎসৱ প্ৰতিযোগিতাত উত্তৰ-পূবৰ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ মাজত সীমাবদ্ধ থাকিব। ভাৰতীয় ঐতিহ্য, খিলঞ্জীয়া সমাজ, স্বাধীনতা আন্দোলনৰ নায়ক, মহাকাব্য আৰু পৌৰাণিক কাহিনী, জাতীয় সংহতি, কলা আৰু সংস্কৃতি, পাণ্ডুলিপি, চিত্ৰকলা, সংগ্ৰহালয়, সংগীতজ্ঞ, লেখক, খিলঞ্জীয়া উৎসৱ, জাতি-জনগোষ্ঠী, কীৰ্তিচিহ্ন আৰু ঐতিহ্য ক্ষেত্ৰ, সমাজ সংস্কাৰ, পৰম্পৰাগত ক্ৰীড়া, মহিলা সবলীকৰণ, পৰম্পৰা আৰু পাৰিবাৰিক মূল্যবোধ, যোগ আৰু আয়ুৰ্বেদ, সাংস্কৃতিক জাতীয়তাবাদ, চাহ আৰু তেল, পৰিৱেশ, কৃষি, শিক্ষা, মানৱ অধিকাৰ, উত্তৰ-পূব ভাৰতৰ পৰ্যটনৰ সম্ভাৱনা আদি বিষয়ক ছবি গ্ৰহণ কৰা হ’ব। তদুপৰি, ভাৰতীয় কলা-সংস্কৃতি, পৰম্পৰা, নাৰী, দেশপ্ৰেম, ডিজিটেল পৃথিৱী, উন্নয়ন, পৰিবেশ, মানুহ আৰু প্ৰকৃতি আৰু ভাৰতীয় পৰিয়াল বিষয়ক চুটি কাহিনী ছবি, তথ্যচিত্ৰ আৰু এনিমচেন ছবিয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে মহোৎসৱৰ আদৰ্শৰ লগত মিল থকা চুটি আৰু পূৰ্ণ দৈৰ্ঘৰ ছবিও প্ৰদৰ্শনৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা থকাৰ কথা আয়োজকসকলে জানিবলৈ দিয়ে। প্ৰতিযোগিতাৰ সকলো তথ্যৰ বাবে চলচ্চিত্ৰম্‌ৰ ৱেবচাইট ‘চলচ্ছিত্ৰম্ ডট ইন’ত চাব পাৰিব। উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে চলচ্চিত্ৰমে্ কেতবোৰ নিয়মাৱলী সন্নিবিষ্ট কৰিছে। সেই অনুযায়ী ২০২৫ বৰ্ষৰ ১ ছেপ্টেম্বৰৰ পৰা ২০২৬ বৰ্ষৰ ১ ছেপ্টেম্বৰৰ ভিতৰত নিৰ্মিত ছবিয়ে এই মহোৎসৱত অংশগ্ৰহণ কৰিব পাৰিব। ১০ জুনৰ পৰা ৩০ জুনৰ ভিতৰত মাছুলবিহীনভাৱে, ১ জুলাইৰ পৰা ১৯ জুলাইলৈকে (৫০০ টকা মাচুলৰে) আৰু ২০ জুলাইৰ পৰা ২ ছেপ্টেম্বৰৰ ভিতৰত (মাচুল ১০০০ টকা) জমা দিব পাৰিব। ইফালে চলচ্চিত্ৰম্‌ৰ বাবে জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়াক সভাপতি, অভিনেতা-পৰিচালক ভগৱত প্ৰীতমক সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰাৰ প্ৰকাশ কৰিছে বিশ্ব সংবাদ কেন্দ্ৰ,  অসমৰ সম্পাদক কিশোৰ শিৱমে।

### বজালীৰ ওদালগুৰি গাঁও পঞ্চায়তত ৰাইজৰ সৈতে মত বিনিময় বিধানসভাৰ অধ্যক্ষৰ

# মই চাৰ নহয়, ৰাইজৰ মাজৰে এজন ঃ ৰঞ্জিত দাস




**অসম ভূমি সেৱা, পাঠশালা ঃ** মোক চাৰ বুলি কিয় সম্বোধন কৰে, মই আপোনালোকৰ এগৰাকী প্ৰতিনিধিহে, বিধানসভাত অধ্যক্ষ হিচাপে থকাটো বেলেগ কথা; কিন্তু সমষ্টিলৈ আহিলে মই কিন্তু চাৰ নহয়, আপোনালোকৰ মাজৰে এজন। চাৰ বুলি মাতি সম্পৰ্কবোৰ দূৰলৈ নিনিব। যোৱা দেওবাৰে বজালী জিলাৰ ভৱানীপুৰ সমষ্টিটোৰ অন্তৰ্গত ৬ নং ওদালগুৰি গাঁও পঞ্চায়তৰ উদ্যোগত পুঠিমাৰী বিহুতলীত আয়োজিত ৰাইজৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে অসম বিধানসভাৰ অধ্যক্ষ তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে। সাংবাদিক অখিল কাকতিয়ে আঁতধৰা আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গিৰীণ পাটগিৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাত ওদালগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী জুনুমণি মেধিয়ে উদ্দেশ্য ব্যাখ্যা কৰে। ওদালগুৰি পঞ্চায়ত, অসম গণ পৰিষদৰ ওদালগুৰি আঞ্চলিক সমিতিকে ধৰি পঞ্চায়তখনৰ প্ৰায় কুৰিটা অনুষ্ঠান-প্ৰতিষ্ঠানে বিধানসভাৰ অধ্যক্ষগৰাকীক বিশেষভাৱে সম্বৰ্ধনা জনায়। ইয়াৰ পাছতে অনুষ্ঠিত মত বিনিময় অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে পঞ্চায়তখনৰ অন্তৰ্গত প্ৰতিটো ৱাৰ্ডৰে ৰাইজৰ সৈতে বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰি সমস্যাসমূহ সমাধানৰ ব্যৱস্থা কৰিব বুলি ৰাইজক অৱগত কৰে। অধ্যক্ষগৰাকীয়ে সমষ্টিটোৰ ৰাইজে প্ৰদান কৰা এনেকুৱা মৰমৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি সমষ্টিটোৰ উন্নয়নৰ হকে কাম কৰি যাব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত ভৱানীপুৰ সৰুপেটা জিলা পৰিষদৰ সদস্য অৰবিন্দ বৰ্মন, সৰুপেটা গাঁও পঞ্চায়তৰ সভাপতি সুৰজিৎ তালুকদাৰ, বিজেপি ভৱানীপুৰ মণ্ডলৰ সভাপতি দিগন্ত চৌধুৰী, ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা অঞ্জলি ডেকা, বজালী জিলা বিজেপিৰ উপ-সভাপতি গোবিন্দ তালুকদাৰ, বিজেপি কিষাণ মৰ্চাৰ ভৱানীপুৰ মণ্ডলৰ সভাপতি কাশীনাথ ৰয়, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গিৰীণ পাটগিৰী, অৱসৰপ্ৰাপ্ত শিক্ষক নিৰঞ্জন চৌধুৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## গুৱাহাটীত লিভাৰ ফাউণ্ডেচন ছ'চাইটিৰ মেডিকন

**গুৱাহাটী ঃ** নৰ্থ-ইষ্ট লিভাৰ ফাউণ্ডেচন ছ'চাইটিয়ে গুৱাহাটীৰ হোটেল ৰত্নমৌলি পেলেচত কালি 'ষষ্ঠ নৰ্থ-ইষ্ট মেডিকন, ২০২৬' অনুষ্ঠিত কৰে। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১৫০ গৰাকী বিশিষ্ট চিকিৎসক আৰু চিকিৎসা জগতৰ সৈতে জড়িত ব্যক্তিসকলে অংশগ্ৰহণ কৰে বিশেষজ্ঞ চিকিৎসক। ড° ভৱানী প্ৰসাদ চক্ৰৱৰ্তীক সম্বৰ্ধনা জনোৱা অনুষ্ঠানটোত সম্মানীয় অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটীৰ গ্ল'বেল হাস্পতালৰ জ্যেষ্ঠ পৰামৰ্শদাতা তথা শল্য চিকিৎসক ইলিয়াছ আলী, জ্যেষ্ঠ পালম'নলজী (বুকুৰ ৰোগ) পৰামৰ্শদাতা ড° যোগেশ শৰ্মা, টিউলিপ মেডিৱৰ্ল্ড ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ অধ্যক্ষ ড° অপূৰ্ব কুমাৰ শৰ্মা আৰু নতুন দিল্লীৰ দ্বাৰ গংগাৰাম হাস্পতালৰ গেষ্ট্ৰ'এণ্টাৰ'লজী বিভাগৰ জ্যেষ্ঠ পৰামৰ্শদাতা ড° পীযূষ ৰজন। তেওঁলোকৰ লগতে অন্ধ্ৰপ্ৰদেশৰ মংগলাগিৰিস্থিত এই মছৰ এম জি কেম্পাছৰ নেফ্ৰ'লজি বিভাগৰ মুৰব্বী তথা সহযোগী ডীন (পৰীক্ষা) ড° উত্তৰা দাসো উপস্থিত থকা এই অনুষ্ঠানত চিকিৎসা বিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ স্বীকৃতিস্বৰূপে ডাঃ আৰ এছ থাংখিউক 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰা হয়।

### জীৱন কালতেই নিজৰ গ্ৰন্থৰাজিৰ সংৰক্ষণ নকৰাটো লেখকৰ নেতিবাচক দিশ

# পৰেশ বৈশ্য ৰচনাৱলীৰ তৃতীয় খণ্ড উন্মোচন

**গুৱাহাটী ঃ** সংৰক্ষণৰ অভাৱত অসমীয়া ভাষা-সাহিত্যৰ ভালেমান মূল্যৱান গ্ৰন্থ সাম্প্ৰতিক সময়ত বিচাৰি পাবলৈ নাই। লেখকে গ্ৰন্থ লিখিলেই নহ'ব, তাৰ সংৰক্ষণো নিশ্চিত কৰিব লাগে। জীৱন কালতেই নিজৰ গ্ৰন্থৰাজিৰ সংৰক্ষণ নকৰাটো লেখকৰ বাবে এক নেতিবাচক দিশ। লেখক-সাংবাদিক তথা শিক্ষাবিদ পৰেশ বৈশ্যৰ গ্ৰন্থ সংকলিত পৰেশ বৈশ্য ৰচনাৱলী তৃতীয় খণ্ড উন্মোচন কৰিবলৈ পশ্চিম বৰাগাঁও হাউছফেড হাউছিং কমপ্লেক্সত আয়োজিত এক অনুষ্ঠানত ভাগ লৈ বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক-সমালোচক ড° দয়ানন্দ পাঠকে এই মত পোষণ কৰে। এইক্ষেত্ৰত পৰেশ বৈশ্য আন বহুতো লেখকৰ বাবে অনুপম আৰ্হি বুলিও পাঠকে মন্তব্য কৰে। সভাৰ আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি পৰেশ বৈশ্যই কয় যে তেওঁ ৰচনা কৰা গ্ৰন্থসমূহৰ নিৰ্বাচিত গ্ৰন্থখিনি মুঠ ছটা খণ্ডত প্ৰকাশৰ পৰিকল্পনা কৰি ইতিমধ্যে তিনিটা খণ্ড প্ৰকাশ কৰা হৈছে। ড° দয়ানন্দ পাঠকে সম্পাদনা কৰা ৰচনাৱলীৰ প্ৰতিটো খণ্ড অসমৰ এশটা চৰকাৰী, ব্যক্তিগত পুথিভঁৰালত সংৰক্ষণৰ বাবে ব্যৱস্থা কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। সভাত ভাষণ দি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা সমাজকৰ্মী মৃদুল মালাকাৰে কয় যে পৰেশ বৈশ্যই অসমীয়া সাহিত্যৰ সকলো ক্ষেত্ৰতেই বিচৰণ কৰি ভালেমান মূল্যৱান গ্ৰন্থ লিখি



প্ৰকাশ কৰাটো এক আশাৰ বতৰা। তেওঁ কয় যে বৈশ্যই হাজো বিষয়কো কেইবাখনো গ্ৰন্থ লিখি হাজোলৈ অনবদ্য অৱদান দিছে। সভাত ভাষণ দি 'অসমীয়া বৰ্তমান' কাকতৰ সম্পাদক প্ৰবীণ ঠাকুৰীয়াই কয় যে সম্প্ৰতিক সময়ত অধ্যয়ন সংস্কৃতিয়ে সংকটৰ গৰাহত পৰিছে। বিভিন্ন সামাজিক, ৰাজনৈতিক কাৰণত সাহিত্য চৰ্চাৰ পৰিৱেশ স্তিমিত হৈ পৰিছে। তাৰ মাজতো বৈশ্যই নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চা কৰি থকাটো সন্তোষক কথা। সভাত বীণাপাণি একাডেমীৰ অধ্যক্ষ চম্পক কলিতায়ো বক্তব্য দাঙি ধৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় পৰেশ বৈশ্যই।

# ৰঙিয়াৰ বৰদলত নৱজ্যোতি যুৱ সংঘৰ গছপুলি ৰোপণ



**ৰঙিয়া ঃ** বৰদল নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এটি বৃক্ষৰোপণ কাৰ্যসূচীৰ লগতে ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ চলি থকা 'খেল-ধেমালিৰে শিকো আহা' শীৰ্ষক বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ অভিভাৱক-অভিভাৱিকা সন্মিলন এখনি অনুষ্ঠিত হয়। বৃক্ষৰোপণ কাৰ্যসূচীত দহজোপা এজাৰ গছপুলি ৰোপণ কৰি অনুষ্ঠানটি শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকললৈ কিছু শৈক্ষিক সমল (বহী, পেঞ্চিল, ৰবৰ ইত্যাদি) বিতৰণ কৰা হয়। এই সভাত সভাপতিত্ব কৰে ভবেন চন্দ্ৰ নাথে। লগতে উপস্থিত থাকে 'খেল-ধেমালিৰে শিকো আহা' শীৰ্ষক বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ মূল গুৰি ধৰোতা শিক্ষয়িত্ৰী কাকলি চমুৱা, যোগাসন প্ৰশিক্ষক কাকলি দেৱী আৰু পল্লৱী নাথ, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ভাঃ সাধাৰণ সম্পাদক ৰিদুল কুমাৰ নাথ, বৰদল নৱজ্যোতি যুৱ সংঘৰ সভাপতি বলোৰাম নাথ, সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম নাথ, সহঃ সম্পাদক ধৰ্মেন্দ্ৰ নাথ, প্ৰাক্তন সভাপতি নিত্যানন্দ নাথ, উপ-সভাপতি কৰুণাকান্ত নাথ, প্ৰাক্তন শিক্ষক গৌৰাংগ দেৱনাথ। ছাত্ৰ-ছাত্ৰীসকলক বিতৰণৰ বাবে শৈক্ষিক সমল প্ৰেৰণ কৰা বৰম্বে হাইস্কুলৰ স্নাতক শিক্ষক ইছফাকুৰ ৰহমান আৰু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমান মহিলা আৰু শিশু বিকাশ বিভাগৰ কৰ্মচাৰী মিতুল কলিতাৰ লগতে দহজোপা উন্নতমানৰ এজাৰ গছপুলি বিনামূলীয়াকৈ আগবঢ়োৱা ৰঙিয়া মৰাণজানাৰ ৰ'জ ভেলী নাৰ্ছাৰীলৈ বৰদল নৱজ্যোতি যুৱ সংঘৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে। বৰদল নৱজ্যোতি যুৱ সংঘৰ এনে পদক্ষেপক ৰাইজে প্ৰশংসা কৰিছে।

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**